ইয়াৰোপৰি প্ৰাকৃতিক দুৰ্যোগে বিশাল দেশৰ চুকে কোণে দেখা দি থাকেই। সেই বাবেই ভাৰতৰ নিচিনা দেশত খাদ্যৰ অভাব সততে দেখা যায়। ভৌগলিক মাটিকালিত জনসোঁতে প্ৰকৃত কৃষি কৰা মাটিশু হেঁচা দি থকাৰ ফলত উৎপাদন ব্যৱস্থাত ক্ৰমহ্ৰাসমান তত্ব প্ৰযোজ্য হৈ থাকে। যৌথ পৰিয়াল ভাগি একক পৰিয়ালৰ সৃষ্টি কৰি কৃষিভূমি খণ্ড-বিখণ্ড হৈ অইন কামত এই মাটি ব্যৱহৃত হয় আৰু কিছু সমস্যাৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত পৰিয়ালৰ প্ৰতিজন চিন্তাশীল ব্যক্তিয়ে অবস্থা চাই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নতুন নতুন কৌশল অবলম্বন কৰি উৎপাদন ব্যৱস্থাৰ পথ নিৰ্ণয় কৰিব লাগে। কৃষিৰ বাবে উপযুক্ত মাটি যাতে অইন কামত ব্যৱহাৰ কৰা নহয় তাৰ বাবে আনধৰণে বিকল্প পথ গ্ৰহণ কৰা উচিত।

নিৰনুৱা সমস্যাই ভাৰতত ভয়াবহ ৰূপ ধাৰণ কৰিছে। এইটো জনসংখ্যাৰ বৃদ্ধিৰ ফলতেই হোৱা বুলি কব পাৰি। ১৯৯৫ চনৰ জানুৱাৰী মাহৰ শেষলৈ নিয়োগ বিনিয়োগ কাৰ্য্যালয়ত পঞ্জীয়ন ভুক্ত নিবনুৱাৰ সংখ্যা হল ৩৬;৭৩৯,০০০। ১৯৯৪ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৫ চনৰ জানুৱাৰী মাহলৈ নিৰনুৱাৰ সংখ্যা বৃদ্ধি পায় ৪;৪৪,০০০। নিয়োগ বিনিয়োগ কাৰ্য্যালয়ত নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ নোহোৱা বহুত লোক আছে। সেয়েহে ধাৰণা কৰিব পাৰি সকলো প্ৰকাৰৰ নিবনুৱাৰ সংখ্যা হবগৈ প্ৰায় ৬০ কোটি। আগতে উল্লেখ কৰা হৈছে যে পৰিয়ালৰ বহুত ব্যক্তিয়ে পৰমুখাপেক্ষী যাৰ ফলত দেশেই অতিৰিক্ত ভাবে দেশ-বিদেশ নাইবা আই, এম, এফ; বিশ্ব বেঙ্ক আৰু বহু জাতিক সংস্থাবোৰৰ পৰা ঋণ লবলৈ বাধ্য হৈছে। এই সংক্ৰান্তত দেশত মূল্যবৃদ্ধি যথেষ্ট পৰিমাণ বৃদ্ধি পাইছে।

আনহাতে দেশত দৰিদ্ৰৰ সংখ্যা দিনক দিনে বৃদ্ধি পাব লাগিছে। দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা ১৯৯৪-৯৫ চনৰ হিচাপ মতে শতকৰা প্ৰায় ৪০% আৰু এইটো ঠিক যে নগৰ অঞ্চলতকৈ গাওঁ অঞ্চলত দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা বেচি। এই সীমা ৰেখাৰ তলত বাস কৰা খিনিক উদ্ধাৰ কৰাৰ কাৰণে ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগে ১৯৭৩-৭৪ চনত প্ৰতিজন মানুহৰ বাবে ৪৯:১০ টকা (গাৱঁৰ) আৰু ৫৬.৬০ টকা নগৰত থকা খিনিৰ বাবে ধাৰ্য্য কৰিছিল। একোজন গাৱলীয়া মানুহক ২৪০০ কেলৰিৰ খাদ্যৰ প্ৰয়োজন আৰু নগৰত বাস কৰা লোক জনক ২১০০ কেলৰিৰ প্ৰয়োজন। নিৰ্দ্দিষ্ট পৰিমাণে ধাৰ্য্য কৰা টকাই তেওঁলোকক এই শক্তিৰ যোগান ধৰিবলৈ অপৰাগ। সেয়েহে দাৰিদ্ৰ সীমাৰ তলত বাস কৰা মানুহখিনিক আন ধৰণে খৰচ কৰাৰ সামৰ্থই ঢুকি নাপায়। খাদ্যাভাবৰ সংকটে দেখা দিয়াৰ ফলত জন বিচ্যুতি সংঘটিত হৈ আন্তঃ ৰাজ্য আৰু কিছু পৰিমাণে আন্তৰ্জাতিক সমস্যাত পৰিণত হয়। যেনে বহিৰাগতৰ সমস্যা, বিদেশী লোকৰ প্ৰব্ৰজন আদিয়েই প্ৰধান। এইটো চিৰন্তন সত্য যে ওখ ঠাইৰ পৰা নামনি ঠাইলৈ পানী বোৱাৰ নিচিনা জনাধিক্য হলেই আন জনশূন্য ঠাইলৈ জনসোঁত বৰলৈ ধৰে। ভাৰতৰ বহুত ঠাইত এই সমস্যাই দেখা দিছে।

ক্ৰমাগত জনসংখ্যাৰ হেঁচাই আজি জন-বহুল দেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰৰ মাজত, সংখ্যালঘু সম্প্ৰদায় বিলাকৰ ভিতৰত মৌলিক সমস্যাৰ অজুহাতত ভুল বুজা-বুজিৰ মাজেৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ সংকট দিনক দিনে প্ৰকট ৰূপ ধাৰণ কৰিব ধৰিছে। এইদৰে ছোভিয়েট বাচিয়াত জাতিগত ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ হেঁচাই দেশখনক খণ্ড-বিখণ্ড কৰিলে। এই প্ৰক্ৰিয়াৰে ভাৰতবৰ্ষতো সাম্প্ৰদায়িক সংঘৰ্ষৰে ইয়াৰ ঐক্য বিনষ্ট কৰিব ওলাইছে। বৰ্ত্তমান ই নিয়ন্ত্ৰিত অৱস্থাত আছে।

গতিশীল জগতখনত ভাৰতৰ যুব সমাজে এটা অনিশ্চয়তাৰ মাজেৰে আগুৱাই আছে। শিক্ষাৰ সমস্যা, চাকৰিৰ সমস্যা, আত্মৰক্ষাৰ সমস্যা আজি জন সমুদ্ৰত নিমজ্জিত। দুৰ্নীতি, ব্যাভিচাৰ, আদি কাৰ্য্যকলাপে যুব সমাজক হতাশগ্ৰস্ত কৰি তোলাৰ ফলত যুব সমাজৰ মাজত এটা অস্থিৰ অৱস্থা বিৰাজমান। কিছুমানে আন্দোলনৰ পথ বাচি লৈছে আৰু কোনোৱে পশ্চাদঘাটি কাৰ্য্যকলাপত লিপ্ত হৈ দেশৰ প্ৰগতিত হেঙাৰ স্বৰূপ হৈ পৰিছে। জনাধিক্যৰ ফলস্বৰূপ সমাজত আজি চুৰি, ডকাইটি, ব্যক্তি হিংসা, জুৱা-মদ-ভাং, নাৰী ধৰ্ষণ, অশালীন ব্যৱহাৰ আদিয়ে দেখা দিছে। সহনশীলতাৰ অভাৱে সাধাৰণ কথাত মানুহে মানুহক বধ কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। ক্ৰমান্বয়ে সমাজখন ধ্বংশৰ পিনে অগ্ৰসৰ হৈ আছে। এইবিলাকৰ মূলতে সমাজ ব্যৱস্থাৰ কাৰ্য্যাৱলী জড়িত বুলি ক'ব পাৰি।

ক্ৰমাগত জনসংখ্যাৰ আটাইতকৈ দুখ লগা, ভয়াবহ আৰু লোমহৰ্ষক ব্যাধি হৈছে অনাগত শিশু সকলৰ ভৱিষ্যত। শিশুবিলাকৰ বহুতেই আজি নানা সমস্যাত আবদ্ধ, কোনোৱে বিকলাঙ্গ, কেৱে মুকবধিৰ, কেৱে হাড়ে চালে লগা অস্বাস্থ্যকৰ আৰু কোনোৱে খাদ্যৰ অভাৱত শিক্ষা-দীক্ষা বিসৰ্জন দি শিশু শ্ৰমিকত পৰিণত হোৱা একো একোজন নাগৰিক। শিক্ষাৰ ক্ষেত্ৰত মানৱ সম্পদ মন্ত্ৰণালয়ৰ সমীক্ষামতে ১৯৯১-৯২ চনত ৪৩ শতাংশ শিশুই পঞ্চমশ্ৰেণী নৌপাওঁতেই শিক্ষা জীৱন শেষ কৰিব লগা হয়। শতকৰা ৫৮ জন শিশুই অষ্টমমান শ্ৰেণী নৌপাওঁতেই বিদ্যালয় এৰিব লগা হয়। অনুসূচিত জাতিৰ শতকৰা ৬৬.২৩ জন শিশুই আৰু জনজাতি লোকৰ শতকৰা ৯৯ জন শিশুই এই অৱস্থাতেই পঢ়া-শুনা ত্যাগ কৰিবলৈ আৰ্থিক অৱস্থাই বাধ্য কৰায়। পৰিসংখ্যা বিভাগৰ তথ্য মতে প্ৰতি ৬-১১ বছৰৰ ভিতৰত এজন আৰু ১১-১৪ বছৰৰ ভিতৰত তিনিজন শিশুই ভাৰতবৰ্ষত বিদ্যালয়ত নাম ভৰ্ত্তি কৰিব পাৰে। সেয়ে ভাৰতবৰ্ষত ৩৫ নিযুতকৈ অধিক শিশু শ্ৰমিক আছে যিবোৰে ভাল কথা চিন্তা কৰাৰ অবকাশ নাপায় ৰুগ্ন আৰু ভগ্ন স্বাস্থ্যৰ বাবে।

ভাৰতবৰ্ষত বিভিন্ন ধৰণৰ সামাজিক সমস্যা বা সামাজিক ব্যাধি আছে যাৰ উৎপত্তিৰ মূলতে হৈছে বৰ্দ্ধিত জনসংখ্যাৰ হেঁচা। মহিলাৰ প্ৰতি ভাবুকি, সন্ত্ৰাস, বিচ্ছিন্নতাবাদ, ছাত্ৰ-যুব সমাজৰ আন্দোলন, নেৰানেপেৰা অস্থিৰ অৱস্থা; বিসঙ্গতি পূৰ্ণ শিক্ষা, কুসংস্কাৰ, দোষণীয় কাৰ্য্যকলাপ, নিচা জাতীয় দ্ৰব্যৰ আমদানি-ৰপ্তানি; জন প্ৰদুষণ

যাদুকৰী ক'লা টকাৰ আমদানি আদিয়ে সমাজ জীৱন বিপথে পৰিচালিত কৰি বিশৃঙ্খল জন-বহুল ভাৰতৰ চিত্ৰ ডাঙি ধৰিবলৈ সমৰ্থ হৈছে। এটাৰ পিচত এটাকৈ পদ্ধতিগত ভাবে বেয়া দিশ নিৰ্ণয় কৰি আছে।

এই পৰিপ্ৰেক্ষিত, পাৰিপাৰ্শ্বিক অৱস্থাত ভাৰতৰ নিচিনা এখন দেশৰ জনসংখ্যাৰ বৰ্দ্ধিত অৱস্থা কেনেকৈ নিৰূপণ কৰিব পৰা যায় প্ৰতি-জন চিন্তাশীল, দায়িত্বপূৰ্ণ নাগৰিকৰ কৰ্ত্তব্য অধিক। ভাৰতবৰ্ষৰ জনসংখ্যাৰ ফলত সৃষ্টি হোৱা বিভিন্ন সমস্যা সমূহ আৰু সামাজিক ব্যাধিবোৰ দূৰ কৰিবলৈ হ'লে কিছুমান পৰিক-ল্পনাৰ নিত্যান্তই প্ৰয়োজন। পৰিকল্পনাৰ নীতি–নিয়ম, কৌশল প্ৰয়োগ কৰি ইয়াক বোধ কৰাৰ ব্যৱস্থা অবলম্বন কৰিব লাগিব।

বৰ্দ্ধিত জনসংখ্যাৰ সমতা স্থাপন কৰিবলৈ হ'লে পোনতে পৰিয়াল পৰিকল্পনা বাধ্যতা-মূলক ভাবে প্ৰয়োগ কৰিব লাগিব। প্ৰতি-দুজনত এজন প্ৰজনন কৰাৰ নিৰ্দ্দেশ চৰকাৰী ভাবে প্ৰযোজ্য হোৱা বাঞ্চনীয়। পৰিকল্পিত আৰু পদ্ধতিগত ভাৱে কিছুমান আঁচনি তৈয়াৰ কৰি জনসাধাৰণক সচেতন কৰি তুলিব লাগে। প্ৰাকৃতিক সম্পদ সমূহৰ সু-ব্যৱহাৰৰ জৰিয়তে পাৰিপাৰ্শ্বিক অৱস্থাৰ সমতা নিৰ্ণয় কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে মানৱ আৰু প্ৰাকৃতিক পৰিবেশ সুন্দৰ ভাবে নিৰূপণ হয়।

যদিও কোৱা হয় বৰ্দ্ধিত জন সংখ্যাৰ বাবে দেশত বিভিন্ন সমস্যাই দেখা দিছে সেইটো সম্পূৰ্ণ সঁচা বুলি ক'ব নোৱাৰি। মাত্ৰ ইয়াক দোহাই দি সমস্যা সমূহৰ মূল সূত্ৰ কি তাক লুকোৱাৰ এই প্ৰচেষ্টা হে। শিক্ষাৰ বাবে প্ৰকৃতত চৰকাৰে যি খিনি জাতীয় আয়ৰ টকা ধাৰ্য্য কৰিব লাগে সেইটো নোহোৱাৰ বাবে শিক্ষা-জগতত খেলি মেলিৰ সৃষ্টি হৈছে। বাজেটৰ শতকৰা ৬ অংশৰ পৰা মাত্ৰ ৩.৫ শতাংশহে ধাৰ্য্য কৰা হৈছিল ১৯৯৩-৯৪ চনত। ১৯৯৫-৯৬ বছৰৰ বাজেটত শিক্ষাৰ শিতানত ১৬ শতাংশ বঢ়োৱা হৈছিল যদিও প্ৰকৃততে ৮০ শতাংশহে বাঢ়িছে। কাগজে পত্ৰে আচনি প্ৰস্তুত নকৰি বাস্তৱ দিশ-তহে অধিক গুৰুত্ব দিয়া দৰকাৰ। ভাৰতীয় সম্পদ ৰাজিক বিদেশত বন্ধকীত থোৱাৰ বাবদ প্ৰতিদিনে ভাৰতে ২৪৪ কোটি টকাৰ নাইবা প্ৰতি ঘণ্টাত ৯ কোটি টকা ধাৰৰ বোজা বহন কৰিব লাগে। (Report of the Comptroller and Auditor General quated in Times of India, May 4, 1995) সৰ্বসাধাৰণ লোকৰ মাজত বিতৰণ ব্যৱস্থা ঠিক নোহোৱাৰ ফলত উৎপাদন কাৰ্য্যত ভাল ফল পাব পৰা নাই। ইয়াৰ বাবে চৰকাৰৰ লগতে সমাজৰ প্ৰত্যেক গোটৰ দায়িত্ব আছে যাতে সৎ ব্যৱহাৰ হয়।

সমাজত দেখা দিয়া বিভিন্ন ব্যাভিচাৰক কঠোৰ ভাবে নিয়ন্ত্ৰণ কৰিলে কিছু পৰিমাণে হলে'ও জন সংখ্যাৰ বৃদ্ধিৰ সমতা স্থাপন কৰিব পৰা যাব। সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকক উন্নত কৰাৰ যিবিলাক আঁচনি আছে তাক প্ৰত্যক্ষ ভাবে প্ৰয়োগ কৰি কাম কাজত ব্যস্ত ৰখাৰ জৰিয়তে দেশত জন্ম নিয়ন্ত্ৰণ ৰোধ কৰি উন্নতি সাধন কৰাৰ দিশ আছে। পাশ্চাত্য দেশৰ নিচিনা মতা-পুৰুষৰ পাৰ্থক্য লাঘৱ কৰিলে ক্ৰমব-ৰ্দ্ধমান জন সংখ্যাৰ সোঁতক ৰোধ কৰিব পৰা যায়। মহিলাই পুৰুষৰ নিচিনা স্বাৱলম্বী হলে

দেশখনেও প্ৰগতি লাভ কৰিব পাৰিব আৰু জন সংখ্যাৰ ভাৰসাম্য ৰক্ষা পৰিব। গতিকে ভাৰতত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ ওপৰত-বিশেষ গুৰুত্ব দিয়া প্ৰয়োজন যাৰ ফলত জন সংখ্যা ৰোধ কৰিব পৰা যাব।

**প্ৰবন্ধটোৰ আলোচ্য গ্ৰন্থপঞ্জি —**


1. Social Problems of India – By Ram Ahuja.
2. Geography Economic and Regional–By Phani Deka, Abani Bhagabati.
3. Census of India 1991 – Series-4, Assam- By N. C. Dutta. Director of Census operations, Assam.
4. New Economic Policy Fact and Fiction—By Sitaram Yechury.


= × =

যিলোকৰ অতি সূক্ষ্ম নীতিবোধ আৰু গভীৰ প্ৰেম আছে, যাৰ মন পৰিচালিত হয় সত্য-সমূহৰ গভীৰ বোধৰ দ্বাৰা, যাৰ সত্য আৰু নিৰ্ভুলটোক জানিবৰ কাৰণে এটি বোধৰ বিকাশ হৈছে, তেনে মানুহেই আনলোকৰ অনুভূতি আৰু সমস্যা বুজিব পাৰে। তেওঁলোক যিকোনো উপায় দূৰ কৰাত কৃতকাৰ্য্য নহ'লেও তাৰ যন্ত্ৰণা ধৈৰ্য্যেৰে বহন কৰিবলৈ সক্ষম। আত্ম বুনিয়াদ সম্বন্ধে তেওঁলোকৰ জ্ঞান আছে, কালৰ বীজৰ অন্তৰ তেওঁলোকে দেখিছে ॥

সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ

# সৌৰ শক্তি ঃ অপৰম্পৰাগত শক্তিৰ উৎস আৰু ইয়াৰ ব্যৱহাৰ

অধ্যাপক প্ৰণৱ শৰ্মা
পদাৰ্থ বিজ্ঞান

শক্তি হৈছে বাহ্যিক জগতৰ ( Physical world ) এটা অপৰিহাৰ্য্য প্ৰাথমিক অংশ। যুগ যুগ ধৰি নানা প্ৰকাৰৰ ইন্ধন শক্তি ব্যৱহাৰ কৰি মানুহে নানা ধৰণৰ পদ্ধতিৰে শক্তি ব্যৱহাৰিক কামত লগাই আহিছে। আমাৰ দৈনন্দিন জীৱনৰ প্ৰত্যেক মূহুৰ্ত্তত শক্তিৰ ব্যৱহাৰ হৈ আহিছে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি টোপনি যোৱালৈকে শক্তি ব্যৱহাৰ কৰি আহিছো। মটৰ, বাছ, ট্ৰেইন, এৰোপ্লেন, বিজুলী বাতি, বিজুলী পাংখা, টি. ভি, ৰেডিও, শীত-তাপ নিয়ন্ত্ৰক যন্ত্ৰ আদিত ব্যৱহাৰ কৰি আছো। সমাজৰ সভ্যতা আৰু উন্নতিত আগবাঢ়ি যোৱাত শক্তি অপৰিহাৰ্য্য অংশ। এনেদৰে বিভিন্ন কামত শক্তি ব্যয় কৰি আছো আৰু ভৱিষ্যতেও হৈ থাকিব। দেখা গৈছে যে প্ৰত্যেক ১৫ বছৰৰ মূৰে মূৰে বৰ্ত্তমান হাৰতকৈ শক্তিৰ প্ৰয়োজনীয়তা প্ৰায় দুগুণ বাঢ়ি গৈ আছে। ফলত শক্তিৰ ভঁৰাল ক্ৰমে শেষ হৈ যাবলৈ ধৰিছে।

আমি শক্তি দুই ধৰণৰ উৎসৰ পৰা আহৰণ কৰিব পাৰোঁ। প্ৰকৃতিৰ দ্বাৰা জলশক্তি, বতাহ শক্তি, সৌৰ শক্তি, জৈৱ শক্তি আদিত যি শক্তি জমা হৈ থাকে সেইবোৰক অপৰম্পৰাগত (Non-conventional ) ইন্ধন শক্তি বোলে। অপৰম্পৰাগত শক্তিৰ ভাণ্ডাৰবোৰ শেষ হৈ নাযায়। এইবোৰ শক্তি পুণ: পুণ: ( Renewable ) ব্যৱহাৰ কৰিব পাৰি। প্ৰকৃতিৰ নিয়মমতে সেইবোৰ ভাণ্ডাৰ নিত্য নতুনেই থাকে। অতীতত এইবোৰ শক্তিৰ ব্যৱহাৰ সীমিত আছিল। আনহাতে মানুহৰ বাবে শক্তিৰ যি প্ৰয়োজন তাৰ প্ৰায় অধিকাংশই জীৱাশ্ম ইন্ধনৰ ( Fossil fuel) পৰা পোৱা যায়। কিন্তু জীৱাশ্ম ইন্ধন অৰ্থাৎ খাৰুৱা তেল, প্ৰাকৃতিক গেছ আৰু কয়লাৰ ভাণ্ডাৰ অসীম নহয়; মানুহে ব্যৱহাৰ কৰি থকাৰ ফলত এইবোৰ ইন্ধনৰ পৰিমান, ভূগৰ্ভৰ পৰা অতি দ্ৰুত-গতিত হ্ৰাস পাবলৈ ধৰিছে। এই বিধ শক্তিৰ উৎসক পাৰম্পৰিক ইন্ধন ( conventional energy ) বোলে। এইবোৰ পুণঃ পুণ: ব্যৱহাৰ কৰিব নোৱাৰি।

জীৱাশ্ম ইন্ধন শক্তি আৱিষ্কাৰ হোৱাৰ পিছত ভূ-গৰ্ভত থকা এইবোৰ ইন্ধন উদ্ধাৰ আৰু

ব্যৱহাৰযোগ্য কৰিবলৈ নানা প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰি অহা হৈছে। এই জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ বছৰি বছৰি বৃদ্ধি পাই আহিছে। কিছুমান বিশেষজ্ঞই মত প্ৰকাশ কৰিছে যে সম্প্ৰতি যি হাৰত এইবোৰ ইন্ধন ব্যয় কৰা হৈছে সেই একে হাৰত ব্যয় কৰি থাকিলে আৰু মাত্ৰ ১৫০ মান বছৰৰ ভিতৰত জীৱাশ্ম ইন্ধন পৃথিৱীৰ পৰা নাইকিয়া হৈ যাব। অথচ মানুহে শক্তিৰ ব্যৱহাৰ হ্ৰাস কৰা নাই। বছৰি বছৰি বাঢ়িহে আছে। এই পাৰম্পৰিক ইন্ধনৰ (জীৱাশ্ম ইন্ধনৰ) বিকল্প উৎসৰ অনুসন্ধানত বিজ্ঞানীসকলে নানা ধৰণৰ পৰীক্ষা চলাইছে, ফলস্বৰূপে উদ্ভাৱন হয় সৌৰ শক্তি (Solar energy)।

সূৰ্য্য এটা আদৰ্শ শক্তিৰ উৎস। ইয়াৰ পৰা প্ৰদূষণমুক্ত (Pollution Free) অপৰম্পৰাগত, অন্তহীন আৰু ব্যয়হীন শক্তি পোৱা যায়। জীৱাশ্ম ইন্ধনৰ এইটো এটা শক্তিশালী বিকল্প শক্তি উৎস। সূৰ্য্য সকলো শক্তিৰ প্ৰধান উৎস। আমি দেখা পোৱা পৃথিৱীৰ প্ৰায় আটাইবোৰ সক্ৰিয়তাৰ মূল সৌৰ শক্তি। সূৰ্য্যৰ পৰা আমি নিৰন্তৰ শক্তি পাওঁ। সূৰ্য্যই অনাদি কালৰ পৰা শক্তি যোগান ধৰি আছে। তথাপি আজিলৈকে শক্তিৰ ওৰ পৰা নাই। ই ঘাইকৈ অতি তাপৰ ভাস্বৰ হৈ থকা হাইড্ৰজেন আৰু হিলিয়াম গেছেৰে গঠিত।

অতি তাপত হাইড্ৰজেন নিউক্লিয়াছৰ সংলীনৰ (Thermonuclear reaction and Fusein) বাবে হিলিয়াম নিউক্লিয়াছলৈ মৌলান্তৰ ঘটে; কাৰ্বন নিউক্লিয়াছে নিউক্লীয় বিক্ৰিয়াত অনুঘটক : Catalyst) হিচাপে কাম কৰে ইয়াৰ সহায়ত ছুটা হাইড্ৰজেন নিউক্লিয়াছ লগ লাগি হিলিয়াম নিউক্লিয়াছৰ সৃষ্টি হয়। এনে ৰূপান্তৰৰ ফলত সূৰ্য্যৰ পাৰমাণবিক (Atomic energy) শক্তি উৎপন্ন হৈ আছে। এনে বিক্ৰিয়াত যি শক্তি নিৰ্গত হয় সেয়েই তাপ নিউক্লিয় শক্তি (Thermo nuclear energy)। সেই কাৰণে সূৰ্য্যৰ শক্তি অকনো হ্ৰাস হোৱা নাই। সূৰ্য্যৰ বাহিৰ ভাগৰ উষ্ণতা প্ৰায় ৬০০০°C কিন্তু ভিতৰ ভাগৰ উষ্ণতা প্ৰায় ২×১০⁷ কেলভিন। সূৰ্য্যৰ গড় আপেক্ষিক গুৰুত্ব ১.৪, প্ৰতি ঘন ছেন্টিমিটাৰ আয়তনত থুপ খাই থকা গেছৰ ওজন ১.৪ গ্ৰাম, গড় ঘনত্ব প্ৰতি ঘন ছেন্টিমিটাৰত ৫.৫৩ গ্ৰাম।

সৌৰ শক্তি পৃথিৱীৰ বায়ুমণ্ডলত খুন্দা মৰাৰ ফলত ধূলি কণা আৰু মেঘৰ বাবে কিছু প্ৰতিফলিত হয়, বাকী কিছু অংশ পৃথিৱী পৃষ্ঠলৈ আহে। সৌৰ বিকিৰণত বেছিভাগ অতি বেঙুনীয়া ৰশ্মি (Ultra violet rays), ইইঁতক অজন (Ozone) স্তৰে শোষণ কৰে। কাৰ্বন-ডাই-অক্সাইড, ($CO_2$) মেঘ আৰু জলীয় বাষ্পই অৱলোহিত ৰশ্মি (Infre-red-rays) শোষণ কৰে। পৃথিৱী পৃষ্ঠত সৌৰ শক্তি বিভিন্ন কাৰণত বেলেগ বেলেগ হয়— যেনে—মেঘৰ আদ্ৰতা, অক্ষাংশ ঠাই ডোখৰৰ অৱস্থান, বিষুৱৰ উত্তৰ বা দক্ষিণ, বছৰ, সময়, দিন আৰু বিভিন্ন কাৰণত মেঘ নথকা (Clear sky) আকাশত মুক্ত দিনত ৮০% আৰু মেঘ থকা আকাশত ৪৫%–৫০% শক্তি পৃথিৱী পৃষ্ঠত আহে। সৌৰ শক্তিক ৪৭% শক্তি লৈ ৰূপান্তৰৰ দ্বাৰা ব্যৱহাৰ কৰিব পৰা যায়।

আমি সৌৰ শক্তিৰ পৰিমাণ এনেদৰে তুলনা কৰিব পাৰোঁ যে ফৰকাল আকাশৰ দিনত এখন

টেনিছ কোৰ্টৰ ( Tennis court ) ক্ষেত্ৰফলত পৰা সূৰ্য্যৰ শক্তিৰ পৰিমাণ ১৩৫ লিটাৰ পেট্ৰোলৰ ( Petrol ) অথবা ১৮০ কিঃ গ্ৰাঃ কয়লাৰ মূল্যৰ সমতুল্য। এই বৃহৎ পৰিমাণৰ শক্তি কোনো ব্যয় নোহোৱাকৈ প্ৰকৃতিৰ পৰা পাই আহিছোঁ। বিশেষকৈ পৃথিৱীৰ ৩০° উত্তৰ আৰু ৩০° দক্ষিণ অক্ষাংশ মধ্যৱৰ্ত্তী অঞ্চলৰ অৱস্থিত উৎস। সৌৰ শক্তি ভাৰতবৰ্ষৰ বাবেও সুবিধাজনক ঠাই। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ লগে লগে সৌৰ শক্তি ব্যৱহাৰ কৰি এতিয়া মানুহে আগতে নকৰা ভালেমান কাম কৰিবলৈ ধৰিছে। সেই কাৰণে দৈনন্দিন জীৱনত সৌৰ শক্তিৰ ব্যৱহাৰ ক্ৰমাগত ব্যাপক হ'বলৈ ধৰিছে। সাধাৰণতে সৌৰ শক্তিক তলত দিয়া ধৰণেৰে ব্যৱহাৰ কৰিব পাৰি। সৌৰ শক্তিৰ দ্বাৰা পোৱা তাপ শক্তি পোনপটীয়াকৈ ব্যৱহাৰ কৰিব পাৰি। সৌৰ শক্তিক বিদ্যুৎ শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি আৰু অন্যান্য জৈবিক ৰূপান্তৰৰ দ্বাৰা সৌৰ শক্তি ব্যৱহাৰ যোগ্য শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি।

প্ৰথম ব্যৱস্থা মতে কিছুমান সুবিধাজনক ভাৱে স্থাপন কৰা প্ৰতিফলক বা সংগ্ৰাহক ( Collector ) সঁজুলি ব্যৱহাৰ কৰি সৌৰ শক্তি সংগ্ৰহ কৰা হয়। সেই শক্তিৰে যি কোনো বস্তু পোনপটীয়াকৈ গৰম কৰিব পাৰি। তেনে কিছুমান সৌৰ শক্তি সংগ্ৰাহক উপযুক্ত ভাৱে ব্যৱহাৰ কৰি পানী উতলাব পাৰি। পানী উতলাই উৎপন্ন কৰা জলীয় ভাপৰ দ্বাৰা বিদ্যুৎ ( Electric ) উৎপাদক যন্ত্ৰত বিদ্যুৎ শক্তি উৎপন্ন কৰিব পাৰি। আন এবিধ সংগ্ৰাহকৰ ওপৰ ভাগ স্বচ্ছ; স্বচ্ছ প্লেট এখনৰ মাজেদি সৌৰ শক্তি অতিক্ৰম কৰে আৰু চেপেটা পাত্ৰত ৰখা পানী গৰম হয়। পাত্ৰটোৰ ভিতৰখন সৌৰ বিকিৰণ শোষণ কৰিব পৰাকৈ কলা ৰং দিয়া হয়। এই পাত্ৰটোৰ বাহিৰ ফালটো কুপৰিবাহী আৱৰণেৰে ঢকা থাকে।

সাধাৰণতে যিবোৰ কামত উচ্চ উষ্ণতাৰ প্ৰয়োজন সেইবোৰত সৌৰ একত্ৰীকৰণ ( Concertrators ) ব্যৱহাৰ কৰা হয়। আমি জানো যে উত্তল লেঞ্চ ( Convex lens ) এখন ৰ'দত ধৰিলে সূৰ্য্যৰ ৰশ্মি একক বিন্দুত থুপ খায়। ইয়াক শুকান বস্তু, কাগজ আদিত পেলালে জ্বলি উঠে। এই ক্ষেত্ৰত লেঞ্চমান সূৰ্য্যৰ ৰশ্মিবোৰ এক থুপ কৰি সৌৰ একীকৰণৰ কাম কৰে। যিহেতু ডাঙৰ লেঞ্চ এখন তৈয়াৰ কৰাটো ব্যয়বহুল আৰু কষ্টসাধ্য কাম গতিকে সৌৰ ৰশ্মি একীকৰণৰ বাবে পেৰাবোলিক দাপোন ( Perabalic reflector ) প্ৰতিফলক ব্যৱহাৰ কৰি উচ্চ উষ্ণতা উৎপন্ন কৰিব পৰা যায়।

বিশেষজ্ঞ সকলে এইটো ঠিৰাং কৰিছে যে সৰ্ব্বোচ্চ শক্তি সংগ্ৰহ কৰিবলৈ হলে সংগ্ৰাহকটো অনুভূমিকৰ পৰা ঘূৰাই ( L+১৫ ) উপযোজন কৰিব লাগিব। ইয়াত অক্ষাংক্ষ (২) লগত আৰু ১৫° যোগ কৰা হয় ঠাণ্ডা ঋতুৰ ( Winter season ) বাবে। গ্ৰীষ্ম ( Summer ) আৰু গোটেই বছৰৰ বাবে ক্ৰমে (L—১৫° আৰু ০'৯°)। ফৰকাল ; মেঘযুক্ত আকাশত দিনত এক বৰ্গমিটাৰ সংগ্ৰাহক ক্ষেত্ৰই ৫০—৭০ লিটাৰ পানী ৫৫°—৬০° C গৰম কৰিব পাৰে। ঘৰ গৰম কৰি ৰখা, ঘৰ শীত-তাপ নিয়ন্ত্ৰিত কৰি ৰখা আদি কামৰ বাবে বিভিন্ন প্ৰকাৰৰ সংগ্ৰাহকৰ ব্যৱহাৰ কৰা হয়। আজি কালি ভাত ৰন্ধা কামতো ব্যৱহাৰ

কৰিবলৈ সৌৰ তুলা ( Solar cooker ), পানী পাতনৰ ( Distillation ) সৌৰ পাতন ( Solar still ) ব্যৱহাৰ হ'বলৈ ধৰিছে।

আলোক ভল্টীয় কোষৰ দ্বাৰা সৌৰ শক্তি পোনপটীয়াকৈ বিদ্যুৎ শক্তি লৈ ৰূপান্তৰিত কৰিব পৰা যায়। কিছুমান পদাৰ্থত পৰিবাহিতা গুণ সুপৰিবাহিতকৈ কম, কিন্তু কুপৰিবাহীতকৈ বেছি, সেইবোৰ পদাৰ্থক ঈষৎ পৰিবাহী ( Semi conductor ) বোলে। ই দুই প্ৰকৃতিৰ P শ্ৰেণীৰ আৰু ( গ্ৰাহীতা ) আৰু N শ্ৰেণীৰ ( দাবা ) ইষৎ পৰিবাহীৰ পদাৰ্থ বিকীৰ্ণ তাপ আপতিত হ'লে বিদ্যুৎ উৎপন্ন হয়। এনে সঁজুলি ব্যৱস্থাৰ নাম আলোক ভল্টীয় কোষ (Photo volite cell)। সৌৰ বিকিৰণ আপতিত হ'লে সেই বিকিৰণ ইষৎ পৰিবাহী হ'লে প্ৰথমে শোষণ কৰে। ফলত পৰমাণুৰ ইলেকট্ৰন (electron) উত্তেজিত হয় আৰু পৰমাণুৰ পৰা ইলেকট্ৰন আঁতৰি গৈ মুক্ত ইলেকট্ৰন আৰু হল (Hob) সৃষ্টি হয়। এই ভাবে সৃষ্টি হোৱা ইলেকট্ৰন আৰু হলৰ দ্বাৰা প্ৰায় °৫ ভল্ট বিভৱ ভেদৰ সৃষ্টি হয়। ইয়াত P প্ৰকৃতিৰ ইষৎ পৰিবাহীৰ পৰা N প্ৰকৃতিৰ ইষৎ পৰিবাহীলৈ প্ৰবাহ চালিত হয়। এনে ব্যৱস্থাৰ দ্বাৰা প্ৰাম •১ ফুট বৰ্গ ছেঃ মিঃ পোৱা যায়। এনেকুৱা বহু কোষৰ দ্বাৰাই সৌৰ বেটাৰী কৰিব পাৰি। এইবোৰ কোষৰ দক্ষতা ( Efficieny ) প্ৰাম ১১% যিবোৰ ঠাইলৈ বৈদ্যুতিক লাইন নিব নোৱাৰি অথচ ৰ'দ যথেষ্ট তেনেবোৰ ঠাইত টি. ভি. ৰিলে কেন্দ্ৰ বিজুলী বাত্তি চলোৱা হয়। কৃত্ৰিম উপগ্ৰহ মহাকাশ যান, সংযোগ উপগ্ৰহ, কেলকুলেটৰ (Calculator ), ঘড়ী আদিত আলোক ভল্টীয় কোষ ব্যৱহাৰ কৰা হয়।

সালোক সংশ্লেষণ অথবা অন্যান্য জৈৱ বিক্ৰিয়াৰ জৰিয়তে সৌৰ শক্তি ব্যৱহাৰযোগ্য শক্তি লৈ ৰূপান্তৰিত কৰিব পাৰি। সেউজীয়া উদ্ভিদে কাৰ্বন-ডাই-অক্সাইড, সৌৰ শক্তি, খনিজ লৱন আৰু পানীৰ পৰা ক্লৰফিলৰ (Chlorophyll ) সহায়ত কাৰ্বোহাইড্ৰেট সংশ্লেষণ কৰি খাদ্যবস্তু প্ৰস্তুত কৰে. এই পদ্ধতিটোৰ নাম সালোক সংশ্লেষণ (Phostonythaism)।

সেউজীয়া উদ্ভিদৰ শিপাই মাটিৰ পৰা পানী খনিজ লৱন, গুহি পাতলৈ পঠিয়াই দিয়ে। আৰু লগতে কাৰ্বন-ডাই-অক্সাইড গেছ গুহি লয়। পাতে ক্লৰফিলৰ সহায়ত সৌৰ শক্তি খটুৱাই কাৰ্বন-ডাই অক্সাইড আৰু পানীৰ মাজত ৰাসায়নিক বিক্ৰিয়া ঘটাই কাৰ্বহাইড্ৰেট খাদ্য তৈয়াৰ কৰে।

কাৰ্বন-ডাই-অক্সাইড+পানী+সৌৰ শক্তি→ কাৰ্বহাইড্ৰেট + অক্সিজেন সূৰ্য্যৰ পৰা পোৱা শক্তি ব্যৱহাৰত ৰাসায়নিক শক্তি স্বৰূপে সঞ্চিত হৈ ৰয়। সেউজীয়া উদ্ভিদৰ পৰা যি শক্তি পোৱা যায় তাৰ মুখ্য উৎস হ'ল সৌৰ শক্তি। উদ্ভিদৰ পৰা তেল, কাঠ, এঙাৰ, ইথানল আৰু মিথেন আদি উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি উদ্ভৱ কৰিব পাৰি। উদ্ভিদৰ পৰা পোৱা সূৰ্যমুখী, ছয়াবিন আৰু বাদাম তেল ব্যৱহাৰ কৰি ইঞ্জিন চলাব পাৰি। সামুদ্ৰিক শেলাইৰ পৰা মিথেন গেছ, পানী, মেটেকা শুকাই তাৰপৰা বায়'গেছ ( Biogas ) উৎপন্ন কৰিব পাৰি। কুঁহিয়াৰৰ পৰাও যথেষ্ট শক্তি পোৱা যায়। বিশেষজ্ঞৰ মতে প্ৰতি হেক্টৰ মাটিৰ পৰা গড় হিচাপে প্ৰাম ৩৫ টন কুঁহিয়াৰৰ পৰা ই প্ৰায় ২৪ টন কয়লা শক্তিৰ সমতুল্য। কিন্বন ( Fermentation ) পদ্ধতিৰ দ্বাৰা মাকৈ জোৱাৰ আৰু সাহ জাতীয় উদ্ভিদৰ পৰা ইথানল পোৱা

যায়। আনহাতে পৰীক্ষা কৰি দেখা গৈছে যে শতকৰা ১০ৰ পৰা ১৫ ভাগ ৰস থকা এক কিলোগ্ৰাম কাঠৰ পৰা প্ৰায় ৩৭০০ কেল্‌ৰি তাপ শক্তি পোৱা যায়। গতিকে গছ-গছনি বেছিকৈ ৰোপন কৰি সিবোৰৰ পৰা যথেষ্ট তাপ শক্তি পাব পাৰি।

ওপৰত উল্লেখিত ব্যৱস্থাৰ দ্বাৰা আমাৰ শেষ হ'বলৈ ধৰা তথা প্ৰদূষণমুক্ত জীৱাশ্ম শক্তিৰ বিকল্প হিচাবে ব্যৱহাৰ কৰিব পাৰোঁ। আমাৰ দেশৰ ভিন্ ভিন্ অঞ্চলৰ কেইবা প্ৰকাৰৰো সৌৰ সঁজুলিৰ প্ৰচলন কৰিবলৈ ভাৰত চৰকাৰৰ অপৰম্পৰাগত শক্তিৰ উৎস (Department of Non-conventional energy sources) বিভাগে চেষ্টা চলাই আহিছে। অসমত বিভিন্ন বিভাগ আৰু চৰকাৰী সংস্থাই শক্তিৰ অপৰম্পৰাগত উৎস স্থাপন আৰু প্ৰচলন কৰাত আগ ভাগ লৈ আহিছে। যোৱা ১৯৮৭ চনত গুৱাহাটীত ভাৰত চৰকাৰৰ এটা অপৰম্পৰাগত শক্তি বিভাগৰ (DNES) মাণ্ডলিক কাৰ্য্যালয় খোলা হৈছে। ই অসমত সৌৰ সঁজুলিৰ প্ৰচলনৰ বাবে বিশেষ আৰ্থিক অনুদান আগবঢ়াইছে।

"অধিকতৰ ন্যায় সংগত মানবিক সমাজ-ব্যৱস্থা গঢ়ি তোলাৰ বাবে মানুহৰ মনত যি অনন্ত পিপাসা আছে সেইটো কোনো দিনে দমন কৰিব নোৱাৰি। সেই অদম্য শিখাক হাজাৰ বাৰ নিৰ্বাপিত কৰি দিলেও, সেই শিখা বাৰে বাৰে জ্বলি উঠিব।"

(ৰোঁমা ৰ'লা)

# শতবৰ্ষৰ আলোকত চলচ্চিত্ৰ

দ্বিজেন্দ্ৰ নাথ দাস
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ

১৮৮৫ চনত ফৰাচীৰ লুমিয়েৰ ভাতৃদ্বয়ে একাধিক চুটি ফিল্ম নিৰ্মাণ কৰে। সেই কাৰণে ১৯৯৫ চনটোক চিনেমাৰ শতবৰ্ষ হিচাপে মানি লোৱা হৈছে। কিন্তু একশ বছৰৰ ভিতৰত প্ৰযুক্তি বিদ্যাৰ নতুন দৌলতত চিনেমাত অভাবনীয় দ্ৰুত পৰিবৰ্তন সাধিত হৈছে। অৱশ্যে সকলো পৰিবৰ্তন প্ৰগতিৰ মাপকাঠি বুলি ধৰি নললেও গতিশীলতা কিন্তু এই যুগৰ প্ৰধান বৈশিষ্ট্য। আজিৰ মানুহে এটা বছৰত যিমান অভিজ্ঞতা সঞ্চয় কৰে অৰ্দ্ধ শতাব্দীৰ আগতে সেই অভিজ্ঞতা সঞ্চয় কৰিবলৈ মানুহক কিমান বছৰ লাগিল—হেঁতেন তাক কল্পনা কৰিব নোৱাৰি। এই উদ্ভাবনীয় গতিশীলতা আৰু অভিজ্ঞতাৰ বিশাল সমাৰোহ প্ৰধানতঃ দৃশ্য আৰু শ্ৰাব্য উপাদানৰ মাজতে প্ৰবাহিত। সেয়ে সংবাদ-পত্ৰ, টেলিফোন, টেলিভিছন, কম্পিউটাৰ ইত্যাদিৰ আয়নাত প্ৰতিফলনৰ মাজেদি অভিজ্ঞতাৰ প্ৰসাৰ বহুগুণে কাৰ্যাকাৰী। মানুহৰ জীৱন দৰ্শনৰ ওপৰত ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ আৰু সুদূৰ প্ৰসাৰী।

সমাজ জীৱনৰ মৌচাকৰ পৰা ব্যক্তি জীৱনৰ অভিজ্ঞতা হৃদয়ঙ্গম কৰিব পাৰি। সেই অভিজ্ঞতা শিল্পী সাহিত্যিক সকলে কলাসুলভ ৰূপৰ অভিব্যক্তিৰ মাজেৰে পাঠকৰ হৃদয়ত কঁপনি তুলিব পাৰে। বিশ্বৰ সকলো কালজয়ী শিল্পৰ আবেদনৰ এই অভিজ্ঞতাৰ ভিত্তিতেই গঢ়ি উঠে। অৱশ্যে বিভিন্ন শিল্পৰ আবেদনে মানুহৰ মানসিকতাত বিভিন্ন ধৰণৰ ক্ৰিয়াৰ সৃষ্টি কৰে। বিশুদ্ধ সঙ্গীত সাঙ্কেতিক অথচ তাৰ প্ৰভাৱ অতি প্ৰত্যক্ষ। চিত্ৰ কলা, ভাস্কৰ্য্য বং আৰু ৰূপ ৰেখাই দৃশ্য জগতৰ অভিজ্ঞতাৰে পৰিস্ফুট। চলচ্চিত্ৰই এই সকলো অভিজ্ঞতা অতি সাবলীলভাৱে মানুহৰ মনত হেন্দোলনী তুলিব পাৰে। কাৰণ বস্তুনিষ্ঠ প্ৰত্যক্ষতাই চিনেমাৰ ধৰ্ম। কেমেৰাৰ সন্মুখত যি উপস্থাপন কৰা হয় তাৰেই যথাযথ ছবি চেলুলয়ডৰ মাধ্যমত বিকশিত হয়। সম্পাদনাৰ দ্বাৰা পৰিবৰ্তন কৰিলেও, মৌলিক গাঁঠনিৰ বিশেষ হীন দেখি নহয়। মূঠৰ ওপৰত বাস্তৱ জগতখন আমাৰ সন্মুখত উন্মোচনৰ মাজেদি চিনেমাৰ জয় যাত্ৰা। এই নৱতম শিল্প সৃষ্টি বিকাশ হৈছে পদাৰ্থ আৰু ৰাসায়ন বিদ্যাৰ মধ্যস্থতাত।

চলচ্চিত্ৰৰ মৌলিক উপাদান হ'ল দৃশ্য বস্তু। কিন্তু এই দৃশ্য বস্তু বাস্তৱৰ প্ৰতিচ্ছবি নহয়; কল্পনাৰো। ফ্ৰয়ড-জঙ্ আদি মনস্তাত্বিক সকলৰ মতে মানুহৰ সপোনৰ অভিজ্ঞতাৰ সিংহ ভাগ হ'ল

অবচেতন মনত সঞ্চিত হোৱা বাস্তৱৰ প্ৰতিফলন। চিনেমা হল বা টেলিভিছনৰ পৰ্দাত প্ৰতিফলিত হোৱা গতিশীল ছবিসমূহে ইন্দ্ৰিয় গ্ৰাহ্যৰ মাধ্যমত দৰ্শকৰ মনত হেন্দোলনি তোলে।

এটা সময়ত স্থিৰ চিত্ৰৰ পৰা গতিৰ মায়াজাল সৃষ্টি কৰা গৱেষকসকলৰ মূল লক্ষ্য আছিল। উনবিংশ শতাব্দীৰ তৃতীয় দশকৰ শেষ পৰ্যন্ত প্লেটোৰ "কেনাকিটিস্কোপ" লিঙ্কনৰ 'জিওট্ৰোপ' আদিৰ চেষ্টাত স্থিৰ আলোক চিত্ৰৰ পৰা গতিৰ প্ৰকাশ পৰিস্ফুট হ'ব ধৰে। চিনেমা চিত্ৰ গ্ৰহণৰ কেমেৰা আৰু প্ৰদৰ্শন যন্ত্ৰ উদ্ভাৱনৰ আৰম্ভণীৰ ইতিহাসৰ লগত উইলিয়াম ফ্ৰীজ-গ্ৰীণ, আলভা এডিচন, লুমিয়েৰ ৰবাৰ্ট পল আদি গৱেষক জড়িত।

## নিৰ্বাক যুগৰ ছবি

চিনেমাৰ আদি যুগত এই শিল্পই শক্তিশালী পদক্ষেপ দিয়াৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল ডি, ডব্লিও গ্ৰীফিথ। তেওঁৰ চেষ্টাত চিনেমা শিল্পই নতুন সংজ্ঞা লাভ কৰে। গ্ৰীফিথে ১৯১৫ আৰু ১৯১৭ চনত নিৰ্মাণ কৰে "The Birth of Nation" আৰু "Intolerance' এই দুখন নিৰ্বাক যুগৰ চলচিত্ৰৰ মাজেৰে চিনেমা শিল্পই কলাসুলভ গাঁঠনি লাভ কৰে। কেমেৰাৰ কোণ পৰিবৰ্তন, দৃশ্য মাজে মাজে কাটি অন্যত্ৰ কি হৈছে দেখুৱা, একোটা দৃশ্যৰ মাজত বিভিন্ন মুখ, কথা কোৱা, 'ক্লোজ আপ'ৰ ব্যৱহাৰেৰে যিজনে কথা কৈছে তেওঁৰ চকুৰ অভিব্যক্তি বজাই ৰখা ইত্যাদি। চিনেমাৰ ইতিহাসত এই ঘটনা নি-সন্দেহে এটা মাইলৰ খুটি। তেতিয়াও মানুহৰ মুখৰ ভাষা, কণ্ঠস্বৰ আদি চিনেমা শিল্পৰ আয়ত্বাধীন হোৱা নাছিল। তথাপি "ক্লোজ আপ''ৰ ব্যৱহাৰৰ ফলত মানুহৰ আনন্দ বেদনা, ভাব-ভাবনা আদি বহু পৰিমাণে পৰিস্ফুট হয়। মুঠৰ ওপৰত 'ক্লোজআপ' চিনেমাৰ এটা অসাধাৰণ সম্পদ। যিয়ে নাট্যাভিনয়ৰ পৰা চিনেমাক সম্পূৰ্ণ পৃথক কৰি তুলিছে।

গ্ৰীফিথৰ সমসাময়িক আছিল চাৰ্লি চাপ-লিন। তথাপি দুয়োজনৰ মাজত লক্ষণীয় পাৰ্থক্য আছিল। বিশুদ্ধ চলচিত্ৰ শিল্পৰ প্ৰবক্তা চেপ-লিনৰ লগতে আন কিছুমান যেনে ম্যাক, আবেল গাঁচ, চানেট আদি পৰিচালকে মৌলিক চিন্তাৰ স্বাক্ষৰ ৰাখিবলৈ সমৰ্থ হৈছিল। চনেটে অভি-নয়ৰ বৈচিত্ৰ্যতাৰ লগতে চিনেমাত বিমল হাস্য-ৰসৰ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। ফৰাচী সুদক্ষ পৰিচালক আবেল গাচেঁ Shot ব্যৱহাৰৰ মাজেৰে কাহিনী ভাগক দ্ৰুততৰ কৰিছিল। চাৰ্লি চাপ্লিনে মানুহক কাৰ্যকলাপৰ অ-সঙ্গতি সামাজিক বৈষম্য আৰু বিৰোধৰ স্বৰূপ উদঘাটন কৰি স্বাভাৱিক ঘটনাৰ মাজত মানুহৰ জীৱনৰ প্ৰকৃত মূল্যবোধ ফুটাই তুলিবলৈ যত্ন কৰিছিল। চেপ্লিনৰ নিৰ্বাক যুগৰ সাৰ্থক ছবি হ'ল "দি কিড্" 'গোল্ডৰাচ'। লক্ষ্যণীয় কথা হ'ল চাপ্লিনে নিজে বহুৰূপ অভিনয় কৰি বিচিত্ৰ আচৰণ আৰু অভিব্যক্তিৰ মাজেৰে হাস্য-ৰস সৃষ্টিহে কৰে। এই হাস্যৰসৰ মাজেৰে তেওঁৰ দৰ্শকক নিজৰ পৰিচিত জগতখন আৰু সমাজখন আঙুলিৰ নিৰ্দেশত চিনাকি কৰি দিছিল। চলচিত্ৰ বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ স্বাক্ষৰ ৰাখিবলৈ সমৰ্থ হয় ৰাছিয়াৰ দুজন প্ৰখ্যাত পৰি-চালক। তেওঁলোক হ'ল আইজেনষ্টাইন আৰু পুদোভকিন। এই দুই জন পৰিচালকে প্ৰকাশভঙ্গী গতিশীলতাৰ ওপৰত জোৰ দিছিল। শব্দ চয়নৰ

নিপুণ প্ৰয়োগে যেনেকৈ একো একোটা কবিতা অনুপম কৰি তুলিব পাৰে ঠিক তেনেদৰে গতিশীল দৃশ্যৰ সাহায্যত চিনেমাৰ ঘটনাত মানুহৰ অনুভূতিৰ প্ৰকাশৰ বাহন হিচাপে ব্যৱহাৰ কৰিব পাৰি। চলচিত্ৰ শিল্পৰ এই বাস্তৱ অভিব্যক্তিৰ অনুপম নিদৰ্শন দন্স 'ব্যাটেল শ্বিপ' 'অক্টোবৰ' আৰু পুদোভকিনৰ 'মাদাৰ'। উদাহৰণস্বৰূপে এইক্ষেত্ৰত পুদোভকিনৰ 'মাদাৰ' ছবিত "মন্টাজ'ৰ কাব্যিক ব্যৱহাৰৰ কথা উল্লেখ কৰিব পাৰি। এই দুইজন সুদক্ষ পৰিচালকৰ হাতত চিনেমা শিল্পই নতুন সংযোজন লাভ কৰে। একেদৰে জাৰ্মান আৰু ফৰাচী পৰিচালক সকলে নিৰ্বাক যুগত ব্যক্তিৰ সামাজিক মানসিকতা ফুটাই তোলাৰ কাৰণে প্ৰতীক ইংগিতৰ অপূৰ্ব প্ৰয়োগ লক্ষ্য কৰিব পাৰি। নিৰ্বাক যুগৰ সাৰ্থক চলচিত্ৰ সমূহত মানুহৰ সত্তা, জীৱন জিজ্ঞাসা, গভীৰ জীৱন বোধ আৰু মননৰ জটিলতা কেতিয়াবা বাস্তৱতাৰ প্ৰতিচ্ছবি হিচাপে কেতিয়াবা কাব্যিকময় আঙ্গিকত, কেতিয়াবা impressionist ধাৰাত কেতিয়াবা expressionist সূত্ৰত ৰূপায়িত হৈছিল।

## নিৰ্বাক যুগৰ ভাৰতীয় চিনেমা

চিনেমাৰ জন্ম লগ্নৰ সময়ত, ভাৰতবৰ্ষত এই শিল্পৰ বিকাশ হোৱা নাছিল। কিন্তু ভাৰতীয় চলচিত্ৰ জগতৰজনক হিচাপে মানিলোৱা হয় মহাৰাষ্ট্ৰৰ ধুন্‌ধিৰাজ গোবিন্দ, দাদা চাহেব ফাল্কে। তেওঁৰ ১৯১৩ চনত নিৰ্মাণ কৰা "ৰজা হৰিশ্চন্দ্ৰ" প্ৰথম কাহিনী চিত্ৰ হিচাপে স্বীকৃতি দিয়া হয়। 'ৰজা হৰিশ্চন্দ্ৰ' নিৰ্মাণ কৰাৰ প্ৰেৰণা লাভ কৰিছিল ফাল্কে চাহেবে ফৰাচী পৰিচালক ভিক্টোৰিয়াৰ "The Life of Christ" ছবিখন চোৱাৰ পিছত ফাল্কেৰ প্ৰতিখন ছবি আছিল পৌৰাণিক কাহিনীৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা। তেওঁ আছিল বাল গঙ্গাধৰ তিলকৰ শিষ্য আৰু তিলকৰ "কেশৰী" পত্ৰিকাৰ সহকাৰী সম্পাদক আৰু প্ৰখ্যাত চিত্ৰকলা বিশাৰদ ৰজা ৰবি বাৰ্মাৰ পৌৰাণিক ছপোৱা ছবিৰ সহযোগী। ফাল্কে আৰু ৰবি বৰ্মাই ভাৰতবৰ্ষৰ পৌৰাণিক সভ্যতা আৰু সংস্কৃতি তুলি ধৰাৰ বাবে চলচিত্ৰ নিৰ্মাণত আত্ম নিয়োগ কৰিছিল। ফাল্কেৰ সমসাময়িক ধীৰেন গাঙ্গুলীয়ে সামাজিক ঘটনাৱলীৰ ওপৰত 'বিলাত ফেৰত' ছবি নিৰ্মাণ কৰিছিল। কিন্তু ফাল্কে চাহেবে পৌৰাণিক 'চিত্ৰ নাট্য'ৰ পৰা আঁতৰি অহা নাছিল। মূঠত ওপৰত তিলকৰ হিন্দুত্ব আৰু ৰবি বাৰ্মাৰ পৌৰাণিকত্বই দাদা চাহেব ফাল্কেক বাৰুকৈ প্ৰভাৱিত কৰে। কিন্তু এই কথা মানি লব লাগিব যে ফাল্কে আৰু ৰবি বাৰ্মাৰ জুটিয়ে ভাৰতবৰ্ষৰ ঐতিহ্য মণ্ডিত প্ৰাচীন সংস্কৃতি সভ্যতা উপযুক্ত ৰূপ দিব নোৱাৰিলে। এইদৰে নিৰ্বাক যুগৰ ভাৰতীয় চলচিত্ৰত দুটা ধাৰা — এটা পৌৰাণিক আনটি সামাজিক প্ৰৱাহিত হ'বলৈ ধৰে। এই সময় চোৱালৈকে চিনেমা শিল্পৰ বক্তব্যৰ প্ৰধান বাহন মুখৰ ভাষা ব্যৱহাৰ হোৱা নাছিল।

## সবাক যুগৰ চিনেমা

চিনেমা শিল্পৰ প্ৰাণ স্বৰূপ গতিৰ লগত ধ্বনিৰ সংযোগৰ ফলত অভাৱনীয় বিপ্লৱৰ সূচনা হয়

আৰু চিনেমা শিল্প হৈ উঠে দৰ্শকৰ বাবে অধিক মনোগ্ৰাহী। ধ্বনিৰ সংযোগৰ লগে লগে অনুশীলনীৰ পৰীক্ষাৰ বাবে পৰিচালক সকলে লাভ কৰে এখনি নতুন বহল পটভূমি। চিনেমা পৰ্দাত যেতিয়া চৰিত্ৰসমূহে অঙ্গ সঞ্চালনৰ মাজেৰে মুখেৰে কথা ক'বলৈ ধৰিলে সবাক যুগৰ দৰ্শকৰ মাজত পৰম কৌতুহলৰ সৃষ্টি হ'ল। এইদৰে সবাক যুগৰ চলচিত্ৰ নতুন পদক্ষেপেৰে আগবাঢ়ি যাবলৈ ধৰে। বিশ্ব-বন্দিত পৰিচালক সকল যেনে ফৰাচী ৰেণেক্লেয়াৰ, ইংলেণ্ডৰ আৰ্ণেষ্ট লুবিচ, আলফ্ৰেড্ হিচকক আদিয়ে 'সংলাপ' বা সংগীত প্ৰয়োগ কৰি ঘটনাৰ অন্তৰ্নিহিত ৰূপ বা চৰিত্ৰ সমূহৰ মানসিকতা আৰু অধিক অৰ্থবাহক কৰি তোলে।

## আৱহ সংগীত

নিৰ্বাক যুগত আৱহ সংগীতত সঠিক ব্যৱহাৰ পৰিচালকসকলে আয়ত্ব কৰিব পৰা নাছিল। প্ৰজেক্টৰৰ বিকট শব্দ বন্ধ কৰাৰ কাৰণে বাহিৰত বাজনা বজোৱা হৈছিল। এই ব্যৱস্থাটোৰ পৰাই আৱহ সঙ্গীতৰ উৎপত্তি হয়। পৰিচালকসকলে অভিজ্ঞতাৰ দ্বাৰাই উপলব্ধি কৰিছিল যে আৱহ সংগীতৰ সুনিপুন প্ৰয়োগ কৰি চৰিত্ৰ সমূহৰ মনৰ ভাব সঠিক ৰূপত দাঙি ধৰিব পাৰি। ১৯২৫ চনত বিশ্ব বিশ্ৰুত ৰুছ পৰিচালক আইজেনষ্টাইনে তেওঁৰ অসাধাৰণ চলচিত্ৰ Battle Ship Potemonic ত এড্মাণ্ড মাইজেলৰ ৰচিত সংগীত এটা ব্যৱহাৰ কৰি সমগ্ৰ ইউৰোপত চাঞ্চল্য সৃষ্টি কৰে। এইদৰে সময় অতিক্ৰম কৰাৰ লগে লগে চলচিত্ৰ আৰু সংগীতৰ মাজত অন্তৰ্নিহিত সম্পৰ্ক স্থাপিত হয়। চলচিত্ৰ হ'ল মূৰ্ত্ত বাস্তৱ আৰু আনহাতে সংগীত হ'ল বিমূৰ্ত্ত শিল্প। সংগীত স্বয়ং সম্পূৰ্ণ শিল্প আৰু মানুহৰ শিল্প আৰু কলাৰ আদিতম আধাৰ। আনহাতে চলচিত্ৰক সকলো শিল্পৰ বিশিষ্ট গুণৰাজী, সংগীতৰ ছন্দ, চিত্ৰ কলাৰ ৰং, স্থাপত্যৰ গঠন, উপন্যাসৰ বৰ্ণনা, নাটকৰ অভিনয় আদি সন্নিবিষ্ট। সংগীত বিমূৰ্ত্ত হ'লেও মূৰ্ত্ত বাস্তৱৰ অভিব্যক্তিৰ বাবে সংগীতৰ প্ৰয়োজন। চলচিত্ৰত দৃশ্য বস্তুৰ নেদেখা ৰূপটো ফুটাই তুলিব পাৰি। ইয়াৰ সঠিক প্ৰয়োগৰ দ্বাৰাই মানুহৰ ক্ষমতা বৃদ্ধি কৰিব পাৰি আৰু চেতনাৰ অটল গৰ্ভত বৈ থকা অনুভূতিক সুন্দৰ ভাবে ফুটাই তুলিব পাৰি। এইদৰে সংগীতৰ সুৰৰ মৰ্চনাৰে চিনেমাক Objective Reality ৰ পৰা Subjective Reality লৈ নিব পাৰি। চিনেমাত ব্যাকৰণৰ ওপৰত দখল থকা পৰিচালকে আৱহ সংগীত সুন্দৰভাবে প্ৰয়োগ কৰি চলচিত্ৰৰ সৌন্দৰ্য্য আৰু অলঙ্কাৰ বৃদ্ধি কৰিব পাৰে। কেতিয়াবা এটা ধ্বনিয়ে বা এটা শব্দই বিশেষ মূহুৰ্ত্ত এটা বিশেষ বাঙ্ময় কৰি তোলাৰ উদাহৰণ বিশ্বৰ চলচিত্ৰত অনেক আছে।

ভাৰতীয় চলচিত্ৰত আৱহ সংগীত সঠিক ভাবে ব্যৱহৃত কৰে প্ৰথমে বিশ্ববিশ্ৰুত পৰিচালক সত্যজিত ৰায়ে তেখেতৰ চিৰ সেউজীয়া (Ever green) চিত্ৰ "পথেৰ পাঁচালী"। আচলতে চিনেমাৰ ভাষাৰ ওপৰত আয়ত্ব থকা এজন দক্ষ পৰিচালকে আৱহ সংগীতৰ তাৎপৰ্য পৰিবেশ আৰু চৰিত্ৰ অনুযায়ী সঠিক প্ৰয়োগ কৰি দৃশ্য আৰু পৰিবেশৰ গীতি কবিতাৰ দৰে আকৰ্ষণীয় কৰি তুলিব পাৰে।

# জ্যোতি প্ৰসাদৰ পৰা জাহ্নু বৰুৱালৈ

অসমীয়া চিনেমা শিল্পৰ প্ৰথম উদ্যোক্তা হ'ল ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা। ১৯৩৪ চনত ৰূপ কোঁৱৰে অসমীয়া চিনেমা শিল্পৰ ভিত্তি স্থাপন কৰে। জাৰ্মানীৰ চিনেমা সম্বন্ধে উচ্চ শিক্ষা গ্ৰহণ কৰি ১৯৩১ চনত অসমলৈ উভতি আহে আৰু চিনেমা নিৰ্মাণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰে। চিত্ৰ কলা মুভিটনৰ আধাৰত ৬০,০০০ টকাৰ বাজেটেৰে বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰ "জয়মতীৰ জীৱনৰ আধাৰত" 'জয়মতী' চিনেমা নিৰ্মাণ কৰাৰ পৰিকল্পনা ৰূপায়ন কৰে। কিন্তু এই চিনেমাখনে আৰ্থিক দিশত বিশেষ সফলতা অৰ্জন কৰিব নোৱাৰিলে। তথাপি এই চিনেমাখন জ্যোতি প্ৰসাদে নিৰ্মাণ কৰিছিল ইংৰাজী আৰু ৰাছিয়ান চিনেমাৰ কলাৰ গাঠনিত। সেই সময়ত অসমত চিনেমা চোৱা দৰ্শক আছিল মাত্ৰ শতকৰা পাচ ভাগ। এনে ক্ষেত্ৰত আৰ্থিক দিশত সফল নোহোৱাটোৱেই স্বাভাৱিক। জ্যোতি প্ৰসাদৰ মতে সম সাময়িক বঙালী আৰু হিন্দী চিনেমা সমালোচক সকলে 'জয়মতী' কথাছবিখন সঠিক মূল্যাংকন কৰিব নোৱাৰিলে। তেওঁলোকে থিয়েটাৰ আৰু চিনেমা অভিনয়ৰ মাজত থকা পাৰ্থক্য খিনি সঠিক ভাৱে নিৰীক্ষণ কৰিব নোৱাৰিলে। "failed to observe the different between stage and film acting" জ্যোতি প্ৰসাদৰ দ্বিতীয় চিনেমাখন হ'ল 'ইন্দ্ৰ মালতী' (১৯৩৯) এই চিনেমাখনৰ চিত্ৰ নাট্যৰ ভিত্তি আছিল প্ৰেম–এজন নগৰীয়া যুৱক আৰু এগৰাকী গাওঁলীয়া যুৱতীৰ মাজত গঢ়ি উঠা প্ৰেমে আছিল গল্পটিৰ বিষয় বস্তু। ২০,০০০ টকাৰ বাজেটত নিৰ্মাণ হোৱা 'ইন্দ্ৰ মালতী' ছবিখনে জ্যোতি প্ৰসাদ আগৰৱালাক আৰ্থিক ভাৱে কিছু সকাহ দিছিল। কিন্তু মৃত্যুৰ কড়াল গ্ৰাসে জ্যোতি প্ৰসাদক আতৰাই নিয়াৰ পিছত অসমীয়া চলচিত্ৰৰ গতি ধাৰাটো কিছু পৰিমাণে থমকি ৰবলগীয়া হয়। ১৯৪১ চনত ৰোহিনী কুমাৰ বৰুৱাই 'মনোমতী চিনেমাখনৰ দ্বাৰাই শুকাই যাবলৈ ধৰা অসমীয়া চিনেমাৰ মৰা সুঁতিটো পুনৰ জীপ জীপকৈ প্ৰৱাহিত কৰে। ১৯৪৬ চনত গীতি কবি পাৰ্বতী কুমাৰ বৰুৱাই 'ৰূপহী', ১৯৪৭ চনত কমল নাৰায়ণ চৌধুৰীৰ "বদন বৰফুকন" আদিৰ পথ অনুকৰণ কৰি 'চিৰাজ' 'বিপ্লৱী'; পাৰঘাট'; 'কুমুমী' 'সতী বেউলা' 'পিয়লি ফুকন' আদি চিনেমা নিৰ্মাণ কৰা হয়। পিছৰ স্তৰত এজন উল্লেখযোগ্য পৰিচালক হ'ল নিপ বৰুৱা। বৰুৱাৰ উল্লেখযোগ্য চিনেমা হ'ল 'স্মৃতিৰ পৰশ'; 'মাক আৰু মৰম'; 'ৰঙাপুলিচ'; ইত্যাদি। নিপ বৰুৱাৰ ভাতৃ ব্ৰজেন বৰুৱাইও একাধিক অসমীয়া চিনেমা নিৰ্মাণ কৰে। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে ১৯৫৮ চনত নিপ বৰুৱাৰ 'ৰঙা পুলিচ', খনে ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰিছিল। এই সন্মান অসমীয়া চিনেমা ইতিহাসত নতুন অধ্যায় বুলি ক'ব পাৰি। পশ্চিম বংগৰ চিত্ৰ পৰিচালক প্ৰভাত মুখাৰ্জীয়ে 'পূৰেকৃণ' নামৰ এখনি অসমীয়া চিনেমা পৰিচালনা কৰিছিল আৰু এই চিমেনাখনে বাৰ্লিন চিনেমা উৎসৱত যোগদান কৰাৰ সন্মান লাভ কৰিছিল। ১৯৩৫ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত অসমত

৬২ খন চিনেমা নির্ম্মাণ হৈছিল। ১৯৭০ চনৰ পৰা ১৯৮০ চনত ভিতৰত নির্মিত হোৱা অসমীয়া চিনেমাৰ সংখ্যা হ'ল ৫৭ খন; ৮০ ৰ দশকত অস্তিত্ব ৰক্ষা আন্দোলনৰ পৰিপ্রেক্ষিতত অসমীয়া চিনেমাৰ প্রবাহিত গতি ধাৰাতো শুরু হৈছিল। বর্ত্তমান ডঃ ভবেন্দ্র নাথ শইকীয়া, জাহ্নু বৰুৱা আৰু সঞ্জীৱ হাজৰিকা'ৰ দৰে কিছুমান সুদক্ষ পৰিচালকৰ হাতত ধৰি অসমীয়া চিনেমা শিল্পই আঞ্চলিকতাৰ গণ্ডি অতিক্রম কৰি আন্তর্জাতিক শিৰোনামা লাভ কৰিবলৈ সমর্থ হৈছে। এই ক্ষেত্রত জাহ্নু বৰুৱাৰ পৰিচালিত 'সাগৰলৈ বহু দূৰ' নামৰ চিনেমাখনৰ কথা উল্লেখ কৰিব পাৰি। ডঃ ভবেন্দ্র নাথ শইকীয়াৰ পৰিচালিত সদ্য মুক্তি প্রাপ্ত চিনেমা 'ইতিহাস' অসমীয়া তথা ভাৰতীয় চিনেমা শিল্পত এটা উল্লেখযোগ্য সংযোজন সেই বিষয়ে সন্দেহৰ অৱকাশ নাই।

## চিনেমাৰ মাজেদি জাতীয় সংস্কৃতি

বিশ্বৰ চিৰ সেউজ চিনেমাসমূহৰ মাজেদি বিভিন্ন দেশৰ জাতীয় সংস্কৃতি আৰু সম্পদ, লোক সংস্কৃতি, সমাজ সংস্কৃতি আৰু জাতীয় চৰিত্র সুন্দৰ ভাবে প্রতিফলিত হোৱা দেখা যায়। ভাৰতীয় চিনেমাই বিশ্বৰ দৰবাৰত সন্মানজনক স্থান দখল কৰাত অনবদ্য বৰঙণি আগবঢ়াই সত্যজিৎ ৰায়ে। তেওঁৰ চলচিত্রসমূহৰ এহাতে আছে ভাৰতীয় মধ্যবিত্ত শ্রেণীৰ পাৰিবাৰিক দণ্ড আৰু ট্রেজেদী আনহাতে আছে ভাৰতীয় গ্রাম্য জীৱনৰ দুখ, কষ্ট, দৰিদ্রতা, হতাশা, আনন্দ। সেইদৰে জাপানৰ ওজু মিজো অচি, কুৰোচিওৱাৰ, ইটালীৰ ৰোচেলিনি, ডিচিকা, ৰোচি, লেটিন আমেৰিকাৰ সোণোনাচ আদিৰ চিনেমাৰ মাজেৰে জাতীয় জীৱনৰ সকলো দিশ দাঙি ধৰাৰ মাজেৰে বিশ্ব জনীন আবেদন ব্যক্ত কৰিবলৈ সক্ষম হৈছে। কিন্তু বর্ত্তমান বিশ্বৰ প্রায়ভাগ চিনেমা শিল্প হলিউদৰ প্রভাৱৰ দ্বাৰা আক্রান্ত। সেয়ে বেছিভাগ দেশৰ চিনেমাত জাতীয় চৰিত্র আৰু স্বতন্ত্রতা বহু পৰিমানে বিপদাপন্ন হোৱা বুলি কব পাৰি। আজিৰ চিনেমাৰ ভাব, ভাষা আৰু প্রকাশ ভংগী হলিউদৰ মডেলৰ আদর্শত নির্ম্মান কৰা হয়। সেয়ে এই প্রভাৱৰ বিকল্প হিচাবে লেটিন আমেৰিকাত তৃতীয় চিনেমাৰ ধাৰা 'Towards a third Cinema; গঢ়ি তুলিবলৈ প্রয়াস কৰিছে। আমেৰিকাৰ আৰ্ট মডেলৰ পৰা বিছিন্ন কৰি আজিৰ লেটিন আমেৰিকাৰ চিনেমাই নতুনত্ব লাভ কৰিবলৈ সমর্থ হৈছে। আৰু নতুন জাতীয় আৰু আন্তর্জাতিক চৰিত্র অর্জন কৰিবলৈ সমর্থ হৈছে। জাতীয় আৰু আন্তর্জাতীয় স্তৰত চিনেমা শিল্পৰ লগত জড়িত কলা-কৌশলী সকলো পুৰস্কৃত কৰাৰ ব্যৱস্থা আছে। ভাৰতবর্ষৰ আটাইতকৈ উচ্চস্তৰৰ সন্মান টি হল ৰাষ্ট্রপতিৰ সোণৰ পদক। আন্তর্জাতিক ক্ষেত্রত চিনেমা শিল্পৰ লগত জড়িত সন্মানীয় উৎসৱ হল কান, বার্লিন, ভেনিচ, কার্লো ভিভাৰি ইত্যাদি বিশ্বৰ ভিতৰৰ আটাইতকৈ প্রখ্যাত আৰু বহুল প্রচাৰিত উৎসৱটি হল আমেৰিকাৰ অস্কাৰ। Electronick media অভূতপূর্ব অগ্রগতিৰ প্রভাৱ চিনেমা শিল্পত গভীৰ ভাবে পৰিছে। অদূৰ ভবিষ্যতত চিনেমাৰ দর্শকে দর্শন আৰু শ্রৱনৰ লগত স্পর্শৰ অনুভূতি অনুভৱ কৰিবলৈ সক্ষম হব সমষ্ট- Sensory Organ ৰ দ্বাৰাই।

১। ক্লোজ আপ= কেমেৰা ওচৰৰ পৰা যি কোনো বস্তুৰ চিত্ৰগ্ৰহণ (দৃশ্য বস্তু পৰা কেমেৰাৰ দুৰত্ব অনুসাৰে দৃশ্য বস্তুৰ আকাৰ হিচাবে 'শট'ৰ নাম পৃথক পৃথক। যেনে–ওচৰৰ বস্তুৰ ছবিক কোৱা হয় বিগ ক্লোজ আপ। উদাহৰণ হিচাবে উল্লেখ কৰিব পাৰি মুৰৰ পৰা ওঁঠৰ অংশৰ ছবি বিগ ক্লোজ আপ' মুৰৰ পৰা কোমৰৰ ছবিক ক্লোজ আপ, মুৰৰ পৰা ভৰি পৰ্য্যন্ত মিড্ শট, মিড লং শট ইত্যাদি।

২। মন্টাজ= ব্যাপক আৰু স্থান ভেদে বিভিন্ন অৰ্থত মন্টাজ শব্দটি ব্যৱহৃত হয়। কেতিয়াবা সম্পুৰ্ণ সম্পাদনা কাৰ্য্যকে মন্টাজ বোলা হয়।

৩। চিত্ৰনাট্য= চিনেমাৰ কাহিনী, সংলাপ ইত্যাদি কথা লিপিবদ্ধ বিতৰণক চিত্ৰনাট্য বোলা হয়।

'অসমত আজি ক্ৰমশঃ সংস্কৃতি চৰ্চা একেবাৰে কমি আহিবলৈ ধৰিছে। সংস্কৃতিৰ মাজেদিহে এটা জাতিৰ চৰিত্ৰ গঢ় লৈ উঠে। আমাৰ জাতীয় চৰিত্ৰ ক্ৰমে নষ্ট হৈ যাবলৈ ধৰাৰ অন্যতম কাৰণ হ'ল সংস্কৃতি চৰ্চাৰ অভাৱ।'

জাহ্নু বৰুৱা

"এজন শক্তিশালী লিখক সেই দেশৰ শাসকৰ সমপক্ষ, কেৱল সমপক্ষই নহয়, অধিক সমপক্ষ, সেইকথা শিল্পী-সাহিত্যিকে প্ৰমাণ কৰাৰ সত্য মুহূৰ্ত আজি উপস্থিত। দেশখনক এক সংখ্যক আদৰ্শহীন, দেশ-প্ৰেম বিবৰ্জিত ৰাজনৈতিক নেতাৰ হাতত সমৰ্পন কৰি তেওঁলোকে কোনো পধ্যে নীৰৱে থাকিব নোৱাৰিব"।

চন্দ্ৰ প্ৰসাদ শইকীয়া

# মহৰম

● চিৰাজ উদ্দিন আহমেদ
স্নাতক প্ৰথম বৰ্ষ (কলা)

মহৰম মুছলমান সকলৰ এটি ডাঙৰ উৎসৱ। এই উৎসৱ মহৰম মাহৰ ১০ (দহ) তাৰিখত পালন কৰা হয়। ই আৰবী মাহৰ প্ৰথম মাহ। প্ৰধান চাৰি মাহৰ ভিতৰত এই মাহ অতি উৎকৃষ্ট তথা পবিত্ৰ। "মহৰম" আৰবী শব্দ; ইয়াৰ অৰ্থ হৈছে হাৰাম বা নিষিদ্ধ। ইছলামৰ বুৰঞ্জীত মহৰমৰ দিনটো চিৰস্মৰণীয় দিন। ইছলামৰ মতে এই মাহটো বৰ ফজিলতৰ মাহ। এই মাহৰ ১০ (দহ) তাৰিখৰ দিনা আশুৰাৰ দিন বুলি কোৱা হয়। সেয়েহে উক্ত দিনত আল্লাহ তায়ালাই মানুহৰ দোৱা বেছি গ্ৰহণ কৰে বুলি প্ৰবাদ আছে। মহৰম হজৰত মহম্মদ মোস্তাফা (ছঃ) ৰ নাতি-য়েক হুছেইনৰ (ৰাঃ) মৃত্যুৰ এক কৰুণ স্মৃতিৰ কাহিনী। কেৱল হুছেইনৰ মৃত্যু উপলক্ষে যে এই উৎসৱ পালন কৰা হয় তেনে নহয়। ইয়াৰ অন্য বহুতো তাৎপৰ্য্য আছে। তাৰ ভিতৰত তলত দিয়াবোৰ উল্লেখ কৰা হ'ল -

(১) কোনো এক সময়ত মহৰম মাহৰ ১০ তাৰিখে আল্লাহ তায়ালাই বিশাল পৃথিবী খন সৃষ্টি কৰে বুলি জনবিশ্বাস আছে। আকৌ সুদূৰ ভৱিষ্যতত এই মাহৰ ১০ তাৰিখ শুক্ৰ-বাৰৰ দিনাখন হজৰত ইস্ৰাফিল (আঃ) ৰ পেঁপাৰ ধ্বণিত এই বিশাল বিশ্ব ধ্বংস হোৱাৰ ভৱিষ্যত বাণী কৰা হৈছে। আশুৰাৰ দিন অৰ্থাৎ এই ১০ তাৰিখত সকলো জীৱৰ আত্মা, পৃথিৱীৰ নদ-নদী, পাহাৰ-পৰ্বত, সাগৰ-মহাসাগৰ, আদি আল্লাহ তায়ালাই সৃষ্টি কৰে। খোদা তায়ালাই এই তাৰিখে আদি মানৱ হজৰত (আঃ) ক সৃষ্টি কৰে। তেখেতৰ এই মহৰম মাহৰ ১০ তাৰিখত বেহেস্তত ৰাখিছিল আৰু একে তাৰিখে বেহেস্তৰ পৰা বহিস্কাৰ কৰিছিল। হজৰত (আং) ৰ লগত বিবি হাওৱাৰ (দঃ) মিলন হয় এই মাহৰ ১০ তাৰিখে।

(২) এসময়ত মিছৰত ফেৰাউন নামেৰে এজন অত্যাচাৰী ৰজাই ৰাজত্ব কৰিছিল। তেওঁ নিজকে ই খোদা বুলি দাবী কৰিছিল আৰু নিজৰ মূৰ্ত্তি সজাই ৰাইজক পূজা কৰিব দিছিল। ঠিক সেই সময়ত হজৰত মোছা (আঃ) এ মহান খোদাৰ বাণী প্ৰচাৰ কৰিছিল। প্ৰেৰিত পুৰুষ হজৰত মূছা (আঃ) এ আল্লাৰ লগত কথা পাতিছিল আৰু তেওঁ আল্লাহৰ তৰফৰ পৰা 'তৌৰিৎ' কিতাপ লাভ কৰিছিল এই মহৰম মাহৰ ১০ তাৰিখে। বহুতো দুখ কষ্টৰ মাজেদি ৰাইজে কাম কৰিবলগীয়া হৈছিল। অৱশেষত মিছৰ বাসীয়ে ফেৰাউনৰ হাতৰ পৰা ৰক্ষা পাইছিল এই মহৰম মাহৰ ১০ তাৰিখে।

(৩) নুহ নবীৰৰ পুতেক বৰ দুষ্ট আছিল। তেওঁ খোদাক বিশ্বাস কৰা নাছিল। খোদাই নুহ (আঃ) নবীৰ পুতেকৰ ওপৰত অসন্তুষ্ট হৈ মহাপ্লাৱনৰ সৃষ্টি কৰিছিল। সেই বানপানীত নুহনবী (আঃ) তেওঁৰ কিস্তীৰ সৈতে ভাহি আহি এটা পৰ্বতত উঠিছিল এই মহৰম মাহৰ ১০ তাৰিখে।

(৪) এসময় বিধৰ্ম্মী সকল বৰ অত্যাচাৰী হৈ পৰিছিল। সেই অত্যাচাৰী সকলক দমন কৰিবলৈ হজৰত ইছা (আঃ) মৰ্ত্তলৈ আহিছিল ঠিক এই মাহৰ ১০ তাৰিখে। হজৰত ইছা (আঃ) ক বিধৰ্ম্মী অত্যাচাৰীসকলে মাৰিবলৈ আগুৰি ধৰিছিল। খোদাৰ মহিমা বুজা বৰ টান, কিয়নো বিধৰ্ম্মী সকলে আগুৰি ধৰাৰ লগে লগে তেওঁক আকাশলৈ তুলি নিছিল এই মহৰম মাহৰ ১০ তাৰিখে।

সেই কাৰণে মহৰম মাহৰ ১০ তাৰিখে মহৰম উৎসৱটি পালন কৰা হয়। কিন্তু আচলতে হুছেইনৰ মৃত্যুৰহে এই উৎসৱ।

হজৰত মহম্মদ (ছাঃ) ৰ কনিষ্ঠা কন্যা ফাতেমা (ৰাঃ) ক হজৰত আলী (ৰাঃ) ৰ লগত বিয়া দিছিল। ফাতেমা (ৰাঃ) ৰ হাছান আৰু হুছেইন নামেৰে দুজন পুত্ৰ জন্মে। হজৰত আলী (ৰাঃ) তেতিয়া খলিফা আছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰথম পুত্ৰ হাছান (ৰাঃ) খলিফা হৈছিল। কিন্তু মাবিয়াৰ পুতেক এজিদে চক্ৰান্ত কৰি এজনী বিশ্বাসঘাত কণীৰ দ্বাৰা হাছানক বিষ খুৱাই মাৰে। হাছানৰ (ৰাঃ) মৃত্যুৰ পিছত হুছেইন খলিফাৰ পদত অধিষ্ঠিত হৈছিল। কিন্তু মাবিয়াৰ পুতেক এজিদ তেতিয়া চিৰিয়াৰ ডামাস্কাচৰ গৱৰ্ণৰ আছিল, যেতিয়া হুছেইন খলিফা হৈছিল। এজিদে কেনেকৈ গৱৰ্ণৰ পদৰ পৰা খলিফা পদলৈ উন্নীত হ'ব পাৰে তাৰ কাৰণে আগৰে পৰা তলে তলে ষড়যন্ত্ৰ কৰি আহিছিল। সেয়ে তেওঁ হুছেইনকো বধ কৰিবলৈ স্থিৰ কৰে। অৱশেষত এজিদে কুফাৰ ৰজা আব্দুল্লাহ জিয়াদৰ লগত পৰামৰ্শ কৰিলে যে হুছেইনক (ৰাঃ) যিকোনো প্ৰকাৰেই হওঁক মক্কাৰ ৰৌজাৰ পৰা বাহিৰ কৰিব লাগিব। সেই উপলক্ষে আব্দুল্লাহ জিয়াদে হুছেইনক সপৰিয়ালে নিমন্ত্ৰণ কৰিলে। তেওঁ জিয়াদৰ নিমন্ত্ৰণ ৰক্ষা কৰিবহৈ সপৰিয়ালে ৭২ জন অনুগামী আৰু দুই কুৰি ঘোঁৰা লগত লৈ মক্কাৰ পৰা কুফা নগৰলৈ যাত্ৰা কৰিলে। এই আগমনৰ খবৰ দুষ্ট এজিদে পাই হুছেইনক বাটত আগভেটা দিলেগৈ আৰু তেওঁলোকে হুছেইনৰ পৰিয়ালে যাতে ফোৰাৎ নদীৰ পানী পিব নোৱাৰে তাৰ কাৰণে নদীখন অবৰুদ্ধ কৰি ৰাখিলে। যি ঠাইত হুছেইনক আগভেটা দিছিল সেই ঠাই ডোখৰৰ নাম আছিল "কাৰবালা" মৰু প্ৰান্তৰ মহৰম মাহৰ প্ৰথম দিনা। হুছেইনে পানী আনিবলৈ যোৱাত তেওঁ শত্ৰুপক্ষৰ সম্মুখীন হৈছিল আৰু শত্ৰুপক্ষই তেওঁক পানী আনিবলৈ নিদিলে। বহুতো কষ্ট কৰিও তেওঁ ঘোষণা কৰিলে "পানীৰ পিয়াহত আমি মৰিব লাগিব।" যদি আমাৰ মৃত্যু অনিবাৰ্য্যই তেন্তে আমি পানী পিয়াহত নমৰি এই বেইমানহ'তৰ লগত যুঁজ কৰিয়ে মৰিম। "এই কথা ভাবিয়েই হুছেইনে যুদ্ধ ঘোষণা কৰিলে। তেতিয়া এজিদে চল্লিশ হাজাৰ সৈন্য লৈ যুদ্ধ ক্ষেত্ৰত জপিয়াই পৰিল। বিশ্বাসঘাতক জিয়াদে এজিদৰ লগত যুদ্ধত যোগ দিলে। কিন্তু হায়! হুছেইনৰ মুষ্টিমেয় সৈন্যই যুদ্ধত এটা এটা কৈ প্ৰাণ দি সকলো শ্বহীদ হ'ল। ইফালে তেওঁৰ পৰিয়ালবৰ্গই পানীৰ কাৰণে তেওঁৰ নিজৰ কেঁচুৱাক তেওঁৰ জিভা চেলেকি খুৱাইছিল। এনেতে এপাত কাড় আহি তেওঁৰ কোলাত থকা কেঁচুৱাটোক আঘাত কৰে। তেতিয়া তেওঁ পুতেকৰ মৃত্যু আৰু সৈন্যৰ মৃত্যু দেখি শোকত বিহ্বল

হৈ পৰিল। তেওঁ আৰু ঠিৰে থাকিব নোৱাৰিলে। প্ৰাণটাকি যুদ্ধ কৰিব ধৰিলে। এনেতে এপাত কাড় আহি হুছেইনৰ বুকু ভেদ কৰিলে। আৰু খুলী (ইছলামিক ইতিহাস মতে) নামৰ এজন সৈন্যই হুছেইনৰ মূৰটো কাটি লৈ গ'ল। তেতিয়া হুছেইনৰ পৰিয়ালৰ মহিলা কেইগৰাকীক এজিদে বন্দী কৰিলে আৰু বন্দীশালত দুই দিন মান ৰাখি বিশেষ যত্নেৰে তেওঁলোকক স-সন্মানে মদিনালৈ পঠাই দিলে।

হুছেইনৰ এই করুণ মৃত্যু হয় মহৰম মাহৰ ১০ তাৰিখে। এই দিনটো অতি গভীৰ শোকৰ দিন। হুছেইনৰ পৰিয়ালবৰ্গই এই মহৰম মাহৰ ১ তাৰিখৰ পৰা ১০ তাৰিখলৈ বৰ দুখ অনুভৱ কৰিছিল। সেয়েহে মুছলমানসকলে মহৰমৰ ১০ তাৰিখলৈ উপবাস থাকি হুছেইন আৰু তেওঁৰ পৰিয়ালবৰ্গলৈ সহায় সহানুভূতি দেখুৱায় আৰু আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে। কিছুমানে কোৰাণ, মিলাদ শৰীফ পাঠ কৰি দিন কেইটা কটাই দিয়ে। ঠায়ে ঠায়ে সভাৰ আয়োজন কৰি হুছেইনৰ জীৱনী শুনে, শহীদ সকলৰ আত্মাৰ সদগতিৰ কাৰণে দোৱা কৰে।

সম্প্ৰদায় হিচাপে মুছলমান দুই প্ৰকাৰ। এক প্ৰকাৰ চুন্নী আৰু আন প্ৰকাৰ চিয়া সম্প্ৰদায়ৰ। এই চিয়া সম্প্ৰদায়সকলে কাগজেৰে তাজিয়া সজায় আৰু হাতত ঢাল- তৰোৱাললৈ "হায় হুছেইন! হায় হুছেইন!" বুলি চিঞৰি ফুৰে। এই মহৰম উৎসৱ বিশ্বৰ মুছলমানসকলৰ কাৰণে চিৰস্মৰণীয় দিন। ধৰ্মৰ কাৰণে আত্মত্যাগৰ ই এটা মহান আদৰ্শ। আহক আমি হুছেইন, তেওঁৰ পৰিয়ালবৰ্গ আৰু শহীদসকলৰ কাৰণে একগোট হৈ খোদাৰ ওচৰত দোৱা কৰো। আমিন। ●

"শ্ৰমজীৱী মানৱ জাতিৰ লগত হৃদয়ৰ একাত্মবোধ, সমাজ পৰিবৰ্তনৰ লগত ঐক্য স্থাপন—এই কৰ্মই মানুহৰ মন সজীৱ ৰাখে, বদ্ধ জলাশয়ৰ পৰা আতৰাই আনি প্ৰবাহিত নদীৰ স্ৰোতৰ লগত সংযোগ ঘটাই মহামানৱৰ মহাসমুদ্ৰৰ লগত মিলাই দিয়ে।"

ৰোমাঁ ৰ'লা

# সাহিত্য-সংবাদ

**সম্পাদনা সমিতি**

সাম্প্ৰতিক কালত শোষিত-বঞ্চিত জাতিৰ মাজত আত্মমৰ্য্যাদাবোধৰ আগ্ৰহে প্ৰবল আকাৰ ধাৰণ কৰিছে। এইটো এটা শুভ লক্ষণ আৰু এই ধাৰণাই অদূৰ ভৱিষ্যতে হয়তো সাম্য, স্বাধীনতা আৰু পাৰস্পৰিক শ্ৰদ্ধা আৰু সহযোগিতাৰ ওপৰত প্ৰতিষ্ঠিত সমাজৰ ইংগিত বাহী হ'ব পাৰে। এই আত্ম মৰ্য্যাদাবোধৰ আন্দোলন প্ৰাতিষ্ঠানিক ক্ষেত্ৰত কিমান সফল হয় সেইটো সময়ত নিৰ্ণয় হলেও, সাহিত্যৰ ক্ষেত্ৰত তাৰ সুফল যে দেখা দিছে সেইটো নিশ্চিত। কবি গুৰু ৰবীন্দ্ৰ নাথে মৃত্যুৰ কিছুদিন আগতে বেদনাসিক্ত হৃদয়েৰে আক্ষেপ কৰিছিল যে শোষিত বঞ্চিত মানুহখিনিৰ লগত তেওঁ হৃদয়েৰে আত্মীয়তা স্থাপন কৰিব নোৱাৰিলে "বাধা হয়ে আছে মোৰ বেৰাগুলি জীৱন যাত্ৰাৰ।" কিন্তু সম সাময়িক সাহিত্য মূল্যবোধৰ পৰিপ্ৰেক্ষিতত অৱহেলিত আৰু বঞ্চিত জাতিসমূহৰ মাজত বহু বিৰল প্ৰতিভাধৰ সাহিত্যিকৰ সৃষ্টি হৈছে যি সকলৰ চিন্তাৰাজিত অৱহেলিতৰ ভূত-বৰ্তমান-ভৱিষ্যত কলাসুলভ অভিব্যক্তি ফুটি উঠিছে। সেয়ে বিশ্বৰ সাহিত্য অনুৰাগী পাঠকে মানবিক আবেদন ভৰপূৰ সাহিত্যৰ মূল্যবোধ অনুধাৱন কৰাৰ বাবে ইংলেণ্ড বা ফ্ৰান্স আদি দেশৰ সাহিত্যিক সকলৰ সৃষ্টিৰ পিনে দৃষ্টি নিক্ষেপ কৰাৰ পৰিবৰ্তে মাৰকুঁইজ ; মেৰিও ভাৰ্গছয়ছা ; মডৰুৰু ; নাৰোজিন, ডেৰেক ওৱালকট আদি মহান সৃষ্টিশীল সাহিত্যিকৰ প্ৰতি গভীৰ আগ্ৰহেৰে মনোনিবেশ কৰা দেখা যায়।

বৰ্তমান শতাব্দীৰ আৰম্ভণিৰ পৰা লেটিন আমেৰিকাৰ সাহিত্যত মৌলিক চিন্তাধাৰাৰে সমৃদ্ধিশালী হৈ সাহিত্যত বিশেষকৈ উপন্যাস-সাহিত্য ৰূপে-ৰসে জাতিষ্কাৰ কৰি তুলিছে। বিষয়বস্তুৰ অভিনবত্ব বাদ দিলেও যাদুকৰি বাস্তবতাৰে (Magic realism) তেওঁলোকে প্ৰচলিত গল্প উপন্যাসৰ পৰিমণ্ডল, ৰচনা কৰিছে ; ধৰাবন্ধা form ৰ পৰা আঁতৰি আহি, প্ৰথা আৰু ধৰণৰ যি আকৰ্ষণীয় বিশেষত্ব দাঙি ধৰিছে সেই দৃষ্টান্ত বিশ্ব সাহিত্যত দুৰ্লভ। এখনি উপন্যাসৰ কেইটামান চৰিত্ৰৰ মাজেদি এখন দেশৰ হাজাৰ বছৰীয়া ইতিহাস, পৰাধীনতাৰ গ্লানি, শোষণৰ যাঁত কলৰ চেপা খোৱা মানুহৰ দিশহাৰা আত্মাৰ ক্ৰন্দন, দেশ-প্ৰেম, দেশদ্ৰোহিতা, প্ৰেম আৰু মৃত্যু ; আনন্দ আৰু বেদনা-যন্ত্ৰণা আদিক অভিনৱ ভংগীত ফুটাই তুলিবলৈ সমৰ্থ হৈছে। এই ক্ষেত্ৰত তেওঁলোকে হৃদয়ৰ সঠিক উপলব্ধি অংকিত কৰাৰ বাবে সাহিত্যৰ কোনো নিৰ্দিষ্ট ধৰা-বন্ধা নিয়ম মানি চলিবলৈ অস্বীকাৰ কৰিছে।

কিন্তু এটা সময়ত লেটিন আমেৰিকাৰ সাহিত্যিক সকল বিশ্ব মঞ্চটো দূৰৰ কথা নিজৰ দেশতে তেওঁলোক আছিল অনামী আৰু অসমাদৃত। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে আৰ্জেটিনাৰ লিখক খোৰখে-লুইচ-বোৰ্খেচৰৰ এখন কিতাপ বিক্ৰী হৈছিল মাত্ৰ ৩৭ খন। কিন্তু সত্তৰ দশকৰ পৰা লেটিন আমেৰিকাৰ সাহিত্য জগতত পৰিবৰ্তন টো প্ৰবল ভাবে প্ৰবাহিত হ'বলৈ

ধৰে। ১৯৭০ চনত আমেৰিকাত গ্যাব্ৰিয়েল মাৰ্কুইচৰ বিশ্ব বিখ্যাত উপন্যাস "One hundred years of Solitude" অনুবাদ হয় ইংৰাজী ভাষাত। ইয়াৰ পিছৰ পৰা অনুৰাগী পাঠকৰ দৃষ্টি স্থিৰ হয় লেটিন আমেৰিকাৰ সৃষ্টিশীল সাহিত্যিকসকলৰ প্ৰতি। লেটিন আমেৰিকাৰ লিখকসকলে নিৰ্ণয় কৰা ধাৰাটি আদৰ্শনীয় বুলি মানি লয়। এটা সময়ত নিৰ্দিষ্ট গণ্ডীৰ মাজত আবদ্ধ হৈ উপন্যাস সাহিত্য নিৰুত্তাপ হৈ পৰিছিল। সেয়ে আজি লেটিন আমেৰিকাৰ সাৰ্থক উপন্যাসসমূহে নিজ দেশৰ সীমা অতিক্ৰম কৰি অন্যান্য মহাদেশৰ অনুৰাগী পাঠকৰ মাজত আলোড়ন তুলিছে। আজি লেটিন আমেৰিকাৰ তৰুণ লিখকসকলৰ গল্প-উপন্যাস ইংৰাজী ভাষাৰ প্ৰকাশকসকলে নিয়মিতভাৱে প্ৰকাশ কৰিবলৈ আগ্ৰহ কৰে। অথচ এটা সময়ত অতি শক্তিশালী লিখকৰ বাবেও সেই কথা কল্পনাৰ অগোচৰ আছিল।

এতিয়া আমি লেটিন আমেৰিকাৰ মানুহ আৰু পৰাধীনতাৰ কবলত তেওঁলোকৰ জীৱন সংগ্ৰাম, হতাশা, বেদনা, যন্ত্ৰণা আদিৰ বিষয়ে সামান্যভাৱে উল্লেখ কৰিম যাতে শিল্পী সাহিত্যিক সকলে লাভ কৰা যাদুকৰি অভিজ্ঞতাৰ পটভূমিত সংক্ষিপ্ত আভাস উপলব্ধি কৰিব পাৰোঁ।

লেটিন আমেৰিকা বুলিলে সাধাৰণতে দক্ষিণ আৰু মধ্য আমেৰিকাক বুজায়। ভৌগোলিকভাৱে এই অঞ্চলটো বিৰাট বিপৰীতধৰ্মী। এন্দেজ ( Andes ) পৰ্বতমালা আৰু খৰস্ৰোতা আমাজান নদী, ভয়ংকৰ আগ্নেয়গিৰি আৰু ভূমিকম্প, আমাজান উপত্যকাৰ rain forest আৰু বিশ্বৰ আটাইতকৈ শুকান ( the direst area ) চিলিৰ আটাকামা ( Atacama ) আদিৰে গঠিত লেটিন আমেৰিকাৰ ভৌগোলিক পৰিমণ্ডল। ৩১ খন স্বাধীন ৰাষ্ট্ৰ আৰু কেইটামান দ্বীপমালাৰ গঠিত লেটিন আমেৰিকা।

"Latin America" শব্দটো প্ৰথমে ব্যৱহৃত হয় ১৯ শতিকাত। প্ৰায় ভাগ লেটিন আমেৰিকা দেশত সামাজিক নিয়ম, আইন, সংগঠন আৰু শিল্প স্থাপত্য আদিত প্ৰাচীন ৰোমান প্ৰজাতন্ত্ৰৰ প্ৰভাৱ বিদ্যমান। সেয়ে বহু পণ্ডিতে লেটিন আমেৰিকা শব্দটি ব্যৱহাৰ হোৱা বুলি ক'ব খোজে।

ভৌগোলিক ভিন্নতাৰ দৰে লেটিন আমেৰিকাৰ মানৱ প্ৰজাতি ভিন্ ভিন্ গোষ্ঠী যেনে Criollos, Indians, Black, Mestijos আৰু Mutullaes আদিৰ দ্বাৰাই গঠিত।

১৯ শতিকা পৰ্য্যন্ত লেটিন আমেৰিকাত জন্ম গ্ৰহণ কৰা ইউৰোপীয় বংশধৰসকলে নিজক 'Criollos' অৰ্থাৎ well born বুলি গণ্য কৰে। কিন্তু ইউৰোপীয় আক্ৰমণকাৰী উপস্থিতিৰ আগতে মেক্সিকো, কলম্বিয়া, পেৰু, বলিভিয়া, গোৱাটেমালা আদি দেশত শক্তিশালী সভ্যতা বিৰাজ কৰিছিল।

ভৌগোলিক বৈচিত্ৰ্যতাৰ দৰে লেটিন আমেৰিকাত ভাষাৰ ভিন্নতা লক্ষ্যণীয়। কিন্তু পৰ্টুগীজ আৰু স্পেইনিজ ভাষা প্ৰধান ভাষা। ইয়াত বসবাস কৰা মানুহৰ ২/৩ ($\frac{2}{3}$) ভাগে পৰ্টুগীজ আৰু ১/৩ ($\frac{1}{3}$) অংশ স্পেইনিজ।

সুদীৰ্ঘ কাল ধৰি লেটিন আমেৰিকাৰ প্ৰায় বোৰ দেশ স্পেইন, পৰ্টুগাল আদি সাম্ৰাজ্যবাদীৰ উপনিবেশ আছিল। এই লুণ্ঠনকাৰী সাম্ৰাজ্যবাদী দেশসমূহে লেটিন আমেৰিকাৰ আদিবাসী সকলক

নির্মমভাবে হত্যা কৰি নিজৰ সাম্ৰাজ্যবাদী লালসা গজগজিয়া কৰে। লাহে লাহে লেটিন আমেৰিকাত জন্ম লাভ কৰা ইউৰোপীয় বংশদ্ভোর সকলে স্থানীয় অধিবাসীৰ সহযোগত স্বাধীনতা লাভ কৰে সাম্ৰাজ্যবাদীৰ কবলৰ পৰা। কিন্তু সেই স্বাধীনতাৰ সোৱাদ সীমাবদ্ধ থাকিল ইউৰোপীয় বংশোদ্ভুর সকলৰ মাজত। এওঁলোকে বৃহৎ ভূ-সম্পদ হস্তগত কৰি সামন্ত প্ৰভুত পৰিণত হয় আৰু সকলো ধৰণৰ ব্যক্তিগত আৰু অর্থনৈতিক স্বাধীনতা হৰণ কৰি নিজস্ব একনায়কত্ববাদী স্বেচ্ছাচাৰী শাসন ব্যৱস্থা স্থাপন কৰে। ফলত সমগ্ৰ লেটিন আমেৰিকাত বিৰাজ কৰে মানৱতাৰ অধ:পতনৰ নির্মম চিত্ৰ। এই শ্বাসৰুদ্ধকাৰী অৱস্থাৰ পৰা মুক্তিৰ পথ বিচাৰি থিয় দিবলৈ চেষ্টা কৰে এক শ্ৰেণীৰ সংগ্ৰামী মানুহে। যি সকলক নির্মম বাঘ নখৰ আঁচোৰেৰে স্তব্ধ কৰিবৰ চেষ্টা কৰে শোষক শ্ৰেণীটোৱে। এই অৱস্থাত মুক্তিকামী মানুহৰ বাবে দুটা পথ মুক্ত আছিল, এটি শিৰ নত কৰি অন্যায় অত্যাচাৰক ভৱিষ্যতৰ অমোঘ নিয়ম বুলি গ্ৰহণ কৰা। অৱশ্যে মানসিকতাত ন্যায়-অন্যায় বোধৰ ভিত্তি অনুপস্থিত, নিজৰ সুখ-সমৃদ্ধিৰ কথা চিন্তা কৰি সহজে আত্মসমর্পণ কৰে। কিন্তু সকলো মানুহে অন্যায় আৰু মানৱতাৰ ওপৰত আক্ৰমণ সহজে মানি ল'ব নোৱাৰে। সেয়ে মানৱতাৰ ধ্বজা উত্তোলন কৰিবলৈ তেওঁলোকে জীৱনৰ সর্বোচ্চ ত্যাগ কৰিবলৈ কুণ্ঠাবোধ নকৰে আৰু তেওঁলোকে বাচি লয় কণ্টকময় বিপ্লৱৰ পথ আৰু সেই মানুহ খিনিৰ প্ৰেৰণাত লেটিন আমেৰিকাত গঢ়ি উঠে গণ-আন্দোলন। কিন্তু শাসক চক্ৰ নিজৰ শাসন-শোষণৰ পথ অব্যাহত ৰাখিবলৈ সৃষ্টি কৰে এনে এটা পৰিস্থিতি য'ত সকলো ধৰণৰ মানবিক মূল্যবোধ ধূলিত মিহলি হয় আৰু মানুহৰ বাবে সৃষ্টি হয় অসহনীয় পৰিস্থিতি। তেওঁলোকৰ জীৱন হয় তীব্ৰ দুখ-বেদনাৰে সিক্ত। মানবিক মূল্যবোধৰ প্ৰচণ্ড অবক্ষয়ত সমাজ জীৱনত সঁচা-মিছাৰ মাজত এডাল অস্পষ্ট সীমাৰেখাৰ সৃষ্টি হয়; আৰু এনেকুৱা জটিল পৰিস্থিতিত লিখক সকলে বেচি সচেতন হৈ পৰে আৰু শিল্পীৰ অন্তৰ্দৃষ্টিৰে তেওঁলোক প্ৰকৃত সত্য উদ্ঘাটন কৰাত ব্ৰতী হয়। ফলত তেওঁলোকৰ লিখনিত সামাজিক বাস্তৱতা ফুটি উঠে। এই যাদুকৰী বাস্তৱতাত ছাত্ৰে আদি কৰি কিছুমান ইউৰোপীয় মনীষীৰ প্ৰভাৱ যদিও বিদ্যমান; তথাপি সাহিত্যিকসকলে নিজস্ব চিন্তা আৰু লেটিন আমেৰিকাৰ বাস্তৱ সামাজিক পৰিস্থিতিত লাভ কৰা অভিজ্ঞতাৰে সেইটো নিজস্বভাৱে গঢ় দিবলৈ সমর্থ হয়। তেওঁলোকৰ ব্যক্তিগত উপলব্ধিৰ পৃথিৱী নিজস্ব চেতনাৰ দ্বাৰা সমৃদ্ধ। এই পৃথিৱীৰ ব্যাখ্যা সম্পূর্ণ ব্যক্তিগত। তেওঁলোকৰ মাজৰ বহুতে ৰাজনীতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। স্বকীয় ৰাজনৈতিক চিন্তাৰ বাবে তেওঁলোকে শোষক চক্ৰৰ দ্বাৰা নিগৃহীত হৈছে। তথাপি তেওঁলোকৰ বেচিভাগে এক বিন্দুও সাহিত্যৰ আদর্শৰ পৰা পিচলি পৰা নাই যদিও লেটিন আমেৰিকাৰ নিপীড়িত মানুহ খিনি তেওঁলোকৰ কাব্য—উপন্যাস, গল্পৰ বিষয়বস্তু, কিন্তু তাৰ মাজেদি শুনিব পোৱা যায় সমগ্ৰ বিশ্বৰ দ্বিধাগ্ৰস্ত মানুহৰ আতুৰ কণ্ঠস্বৰ। মনৰ কোঁহে কোঁহে পুঞ্জীভূত বেদনা, হতাশা, জীৱনৰ অন্তহীন তাড়না আৰু ব্যক্তিগত উপলব্ধিৰ মাজেদি যে ব্যক্তিগত নিষ্ঠাৰে একোখনি অনুপম উপন্যাস ৰচনা কৰিব পাৰি সেই কথা তেওঁলোকে আন্ত-

ৰিকতাবে প্ৰতিফলন কৰিছে। সেয়ে আজি সমগ্ৰ বিশ্বৰ অনুৰাগী পাঠকৰ মাজত লেটিন আমেৰিকাৰ সাহিত্য সমাদৃত আৰু তেওঁলোকে ব্যৱহাৰ কৰা সাহিত্যধাৰা বহুতৰ বাবে অনুকৰণীয়।

মাৰকুৰ্জ, ভাৰ্গচলুচা, কাৰাবিয়ান দ্বীপপুঞ্জৰ ৱালকট, গুৱাটেমলাৰ নোবেল বঁটা বিজয়ী (1967) Migael Angel Asturias, নেৰুদা আদি লিখকসকল আন্তৰ্জাতিক শিৰোনামাত। এই শিতানত আমি লেটিন আমেৰিকাৰ দুজন প্ৰখ্যাত ঔপন্যাসিকৰ কেইখনমান উপন্যাসৰ নাম উল্লেখ কৰিম যাতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তেওঁলোকৰ প্ৰতি আগ্ৰহ বৃদ্ধি পায় আৰু তেওঁলোকে সৃষ্টি কৰা অমৰ সাহিত্য ৰাজিৰ লগত পৰিচিত হ'বলৈ প্ৰয়াস কৰে।

১৯৩৬ চনত জন্ম লাভ কৰা মেৰিঅ ভাৰ্গচ য়'চা হ'ল লেটিন আমেৰিকাৰ সাহিত্য জগতৰ এজন অন্যতম সফল ঔপন্যাসিক। তেওঁৰ উপন্যাস কেইখন হ'ল—

1. The Green House.
2. Conservation in cathedral.
3. The Time of Hero.

কলম্বিয়াত জন্ম লাভ কৰা আৰু ১৯৮২ চনত সাহিত্যত নোবেল বঁটা লাভ কৰা মাৰ্কুইজে বহু চুটি গল্প আৰু উপন্যাস ৰচনা কৰিছে। তেওঁৰ উল্লেখযোগ্য উপন্যাস সমূহ হ'ল—

1. One hundred years of solitude.
2. Love in time of cholera.
3. The Autum of the patriarch.
4. In evil hour.
5. Chronile of a Death foretold.
6. The general in his labyrinth.

* * * * * *

"শ্ৰোতা বা পাঠকৰ কৌতূহল তৃপ্ত কৰাতকৈ কৌতূহল জাগ্ৰত কৰাটোহে মোৰ মুখ্য উদ্দেশ্য। এবাৰ কৌতূহল জাগ্ৰত হোৱাৰ পিচত শ্ৰোতা বা পাঠকে কৌতূহল চৰিতাৰ্থ কৰিবৰ কাৰণে নিজে কষ্ট কৰি কিতাপ-পত্ৰ বিচাৰি পঢ়ক—মই সেইটোৱে বাঞ্ছা কৰোঁ।"

হোমেন বৰগোহাঞি

"কিতাপৰ সুগন্ধ থাকে ৰাতি ফুলা শেৱালি ফুলৰ দৰে স্নিগ্ধ নিৰ্মল অথচ মন মাতাল কৰা সেই সুবাস। কিতাপে কঢ়িয়াই অনা দুখ-বিষাদ ক্ষোভ সৰ্ব প্ৰকাৰৰ অনুভূতিয়েই কিতাপ-প্ৰেমীৰ মন এনে এক শাশ্বত সৌন্দৰ্য্য আৰু মহত্বৰে বিধৌত কৰি তুলে যে দুখ-বিষাদো হৈ পৰে এক ধৰণৰ আনন্দময় অনুভূতিৰ আকৰ। মন আৰু মননৰ আঙুলিৰে স্পৰ্শ কৰিব জানিলে অনুভৱ কৰিব পাৰি কিতাপৰো প্ৰাণৰ স্পন্দন। সংবেদনশীল মনত এই স্পন্দনেও প্ৰবাহিত কৰিব পাৰে তেজ-মঙহৰ শিহৰণ।"

ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী